# ইতিহাস

# (ITIHAS)

An Annual Publication of Chaiduar College Historical Society

CHAIDUAR COLLEGE GOHPUR SONITPUR ASSAM
ESTD 1967
तमसो मा ज्योतिर्गमय

Vol -I

Year-2014

Published by

Chaiduar College Historical Society

# ITIHAS

An Annual Publication of Chaidaar College Historical Society

Vol -1

Year-2014

Published by

Chaidaar College Historical Society

ITIHAS: An Annual publication containing various informations regarding Chaidaar College Historical Society and Department of History. Articles on history and history related topics contributed by teachers and students of History Department of Chaidaar College is published by Chaidaar College Historical Society, Gohpur, Sonitpur, Assam.

---

Year of publication : August, 2014

Copyright : Chaidaar College Historical Society

Editorial Board : President-Dr. Ranjit Kamar,
H-O-D, Dept.of History
Vice President: I.B.Newar,
Assistant Professor, Dept.of History
Treasurer : Swapna Kakati,
Assistant Professor, Dept.of History
Secretary: Prabin Adhikari.
Asst. Secretary: Kabyashree Hazarika,

Executive Members : Pinku Saikia, Karishma Borah, Biswajyoti Sarmah, Sami Madoi and Saroj Goatam.

Members : All Major students of History Department.

Contact Address : Department of History, Chaidaar College, Gohpur.

Printed at : Bijoya Printing Press, Gohpur.

OFFICE OF THE PRINCIPAL

# CHAIDUAR COLLEGE

Gohpur -784168, Dist : Sonitpur (Assam)

e-mail:chaiduarcollege@gmail.com

Phone & Fax: 03715-243158 (O)
94351 87475

Ref.........................                                        Date ........................

## শুভেচ্ছা সন্দেশ

চহদুৱাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ পৰা 'ইতিহাস' নামেৰে এটা বাৰ্ষিক সংকলন প্ৰস্তুত কৰিবলৈ লৈছে বুলি জানি পৰম সন্তোষ পাইছোঁ। এই বিভাগৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক সকলে গঠন কৰা 'Chaiduar College Historical Society'এ নানান ইতিহাসৰ আৰু মননশীল কাম কৰিব পাৰে। তাৰে অংশবিশেষ এই সংকলনৰ প্ৰকাশ। সংকলনটিত সন্নিবিষ্ট প্ৰবন্ধসমূহৰ মাজেৰে বিভাগটোৰ ছাত্ৰ-ছাত্ৰী সকলৰ চিন্তা-চৰ্চাৰ প্ৰকাশ হোৱাৰ লগতে ঐতিহাসিক তথ্য উদ্ধাৰৰো সম্ভাৱনা আছে। এনে ধৰণৰ বৌদ্ধিক চৰ্চাই ছাত্ৰ-ছাত্ৰী সকলক বাট দেখুৱাবলৈও সক্ষম হ'ব।

এইবাৰৰ সংকলনটি হাতত লৈ কাম কৰিবলৈ লেখকসকলো আগ্ৰহী হৈছে। আশা কৰিছোঁ, উদ্ভাৱনীমূলক চিন্তাৰ আৰু কৰ্ম ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আৰু শিক্ষক সকলৰ মাজতো বিস্তাৰ ঘটিব।

আমি ইতিহাস বিভাগৰ সংশ্লিষ্ট সকলোলৈকে অভিনন্দন জনাইছোঁ এনে চিন্তাৰ বাবে আৰু শুভেচ্ছা জনাইছোঁ সংকলনটি যাতে সৰ্বাংগসুন্দৰ হয় তাৰ বাবে।

২৬/৮/২০১৪

(ড° অতুল কুমাৰ ডেকা)

অধ্যক্ষ, চহদুৱাৰ মহাবিদ্যালয়,

# পাতনি

ফৰাচী দাৰ্শনিক ভল্টেয়াৰে কৈছিল,- "কিতাপেহে আধুনিক পৃথিৱীখনক শাসন কৰিছে, যি সমাজত কিতাপৰ প্ৰচলন নাই সেই সমাজ থকা-নথকা একে কথা।" মহাবিদ্যালয়ৰ ছাত্ৰসমাজৰ মনৰ দৰ্পণ প্ৰকাশ পায় মহাবিদ্যালয়ৰ আলোচনী, প্ৰাচীৰ পত্ৰিকা আদিত। শিক্ষক-ছাত্ৰৰ যৌক্তিক চিন্তা-চৰ্চা আৰু অনুষ্ঠানটিৰ সকলো দিশৰ প্ৰতিফলন ঘটে এই আলোচনীসমূহত।

চয়দুৱাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক, যৌক্তিক, সাংস্কৃতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বাবে জন্ম হৈছিল "Chaiduar College Historical Society"ৰ। এই চচাইটিৰ যৌক্তিক দিশটো প্ৰতিফলিত কৰিবৰ বাবে "ইতিহাস" নামৰ বছেৰেকীয়া হাতেলিখা আলোচনীখন প্ৰকাশৰো সিদ্ধান্ত লোৱা হৈছিল। ইতিহাস বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে কম সময়তে অতি নিষ্ঠা আৰু আন্তৰিকতাৰে এই আলোচনীটো প্ৰকাশৰ বাবে প্ৰবন্ধসমূহ প্ৰস্তুত কৰি উলিয়াইছে

“বাঁহীৰ বিজ্ঞান আৰু আপোন হৈ মুক্তিৰ পঠিওৱা” তথা “যান্ত্ৰিক বিজ্ঞান গঁৰু আদি শব্দৰ পাখিত হৰা” আমাৰ জীৱনৰ আলোচনা বিষয়সমূহ উন্নতিৰ পদক্ষেপ সংস্থাৰ আৰু পুনৰ জন্ম হ'ব। মোৰ মতে “মুকুত কৰো আৰু” এই “ধুনিয়াম” আৰু মুখীয়মাখৰ আজৰ ভূমি দিব পৰা হ'ল। ভূমুকুৰ কথাত দিয়া বিষয়সমূহ এই প্ৰথম প্ৰয়াসত ভুল-ভ্ৰান্তি হে থাকিব পাৰে। সেই ভুল-ত্ৰুটি থাকে যদি আপোনাসকলে ক্ষমা কৰি আশিস দিব।

ইতি
সমতাৰ্ম হালিত

নগাঁও :
২৭/০৮/২০১৪

# Chaiduar College History Department at a Glance

*Date of Establishment : 1967.
* Date of Introducing Major : 1997.
*Present Teachers Strength : 3 (i.Dr.Ranjit Kaman, ,M.A,M.Phil, Ph.D.
ii.Swapna Kakati, ,M.A,B.Ed,M.Phil,C.C.A.
iii.I.B.Newar, M.A,B.Ed)
*Retired Teachers : Mr.R.N.Kakati & Mr.B.C.Goswami.
*Student Strength(2014-2015) :SemI-20,Sem-III-06,Sem-V-18
* UGC Sponsored National Seminar conducted-01
*Achievements of Students: 1st Class holders: Tridib Nayan Basistha, Tridib Jyoti Chaliha,Pankaj Kardang,Moushami Acharya, Dibya Hazarika, Rupsikha Hazarika, Meera Kamari; Subhash Adhikari; Himakshi Gogoi;Jyotimala Goswami; Joyprokash Doley.
*Our students Qualified NET : Ripun Doley & Tridib Nayan Basistha.
* Our students Completed M.Phil : Ajit Konwar.
*Achievement of Teachers : (a) Dr. Ranjit Kaman:-Orientation Course-DDU Gorakhpur Universit , Gorakhpur.
Refresher Course- i.Gauhati University ,Gawahati.
ii. North Eastern Hill University, Shilong
M.Phil-Vinayaka Missons University, Tamilnada.
Ph.D-Rajib Gandhi University, Arunachal Pradesh.
Research Project Completed : University Grants Commission (UGC)-02
Indian Council of Historical Research (ICHR)-01
No. of International Publication : 06
No. of National Publication : 08
No. of Popular Articles : 07

(b)Swapna Kakati :-Orientation Course -DDUGorakhpur Universit , Gorakhpur.

Refresher Course- i. North Bengal University, Darjiling.
ii. Aligarh Muslim University,Aligarh.
iii.North Bengal University,Darjiling.
M.Phil-Vinayaka Missons University,Tamilnada.
Research Project Completed: University Grants Commission(UGC)-02
Indian Council of Historical Research(ICHR)-01

No. of International Publication : 08
No. of National Publication : 26
No. of Popular Articles : 20
No. of Books published :08
No. of Books(Edited) : 01

(C)Indra Bahadar Newar : Orientation Course -KKH State Open University,Guwahati & IGNOU ,Guwahati

Research Project Completed : University Grants Commission (UGC)-01
Indian Council of Historical Research (ICHR)-01

No. of International Publication : 01
No. of National Publication : 05
No. of Popular Articles : 04

**********

# : সূচীপত্ৰ :


1. হয়ুন্নাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগ : এটি আলোকপাত - ৰঞ্জিত কামান/ ১

2. ইতিহাসৰ প্ৰাসঙ্গিকতা - স্বপ্না কাকতি/ ৫

3. *Views of Defferent Viewers about History* - *Gautam Nayak*/ ৬

4. *The imaginary Pride of Gohpur* - *Biswajit Sarmah*/ ৭

5. লক্ষ্য আৰু উদ্দেশ্যৰ বোজতে হয়ুন্নাৰ মহাবিদ্যালয় - সংঘমিত্ৰা দেউৰী/ ১০

6. ঐতিহাসিক নগৰ গহপুৰ - চুমী মুদৈ/ ১২

7. অসমৰ গ্ৰাম্য জীৱনত টাই আহোম
   সকলৰ সংস্কৃতিৰ প্ৰভাৱ - কৰিশ্মা বৰা/ ১৪

8. বুৰঞ্জী প্ৰসিদ্ধ শোণিতপুৰ জিলাৰ কলংপুৰ অঞ্চল - শ্যামল শইকীয়া/ ১৬

9. কাড়ি পথাৰৰ পৰা কাউৰী পথাৰলৈ - সৰোজ গৌতম/ ১৯

10. "পাটকাইৰ ইপাৰে মোৰ দেশ"
    - অসম বুৰঞ্জীৰ সাহিত্যিক মূল্যায়ন - লক্ষ্যজ্যোতি গগৈ/ ২০

11. অসমৰ সত্ৰ সংস্কৃতি - কাব্যশ্ৰী হাজৰিকা/ ২২

12. কনকলতা - পূজা হাজৰিকা/ ২৪

13. ইতিহাসৰ পাতত মূলাগাভৰু - ৰিমজিম নেওগ/ ২৫

14. আমি স্বাধীন নে? - প্ৰবিন অধিকাৰী/ ২৬

15. যোৰহাট নগৰৰ কীৰ্তি চিহ্ন - দিপেন কামান/ ২৯

16. প্ৰাচীনৰ পৰা বৰ্তমানৰ অসম - প্ৰসেনজিৎ চৰকাৰ/৩১

17. আৰ্য্যসকলৰ আঁতিগুৰি - ধনপুৰ দলে/৩৪

18. প্ৰাচীন অসমৰ কেইখনমান উল্লেখযোগ্য
    লিপি, ইয়াৰ স্থান আৰু ৰচনা কাল - পিংকু শইকীয়া/৩৭

19. ধবংসৰ গৰাহত নাৰীৰ সমাজ - সুস্মিতা শৰ্মা/৩৯

20. ভাৰতত থকা বিভিন্ন ধৰ্মৰ তীৰ্থস্থান - তপন জ্যোতি বুঢ়ুম/৪২

## ডুমডুমা মহাবিদ্যালয়ৰ ইতিহাস বিভাগ : এটি আলোক পাত

ড: ৰণজিৎ কামান
মুৰব্বী অধ্যাপক

ডুমডুমা মহাবিদ্যালয় ইতিহাস বিভাগ স্থাপিত হৈছিল ১৯৬৭ চনত। বিভাগৰ প্ৰতিষ্ঠাপক অধ্যাপকদ্বয় আছিল ক্ৰমে ৰাজেন্দ্ৰ নাথ কাকতি আৰু বিজয় চন্দ্ৰ গোস্বামী। দুয়োজনৰ বিভাগৰ মুৰব্বী অধ্যাপক আছিল ৰাজেন্দ্ৰ নাথ কাকতি। ইতিহাস বিভাগ স্থাপন কৰাৰ পৰা ১৯৯৭ চন পৰ্যন্ত বিভাগত অনাৰ্চ (এতিয়াৰ মেজৰ) নাছিল। তেতিয়াৰ আই এ আৰু প্ৰাক-স্নাতকৰ পৰা বি.এ পৰ্যন্ত সকলো শ্ৰেণী দুজন অধ্যাপকে পাঠদান কৰিব লগা হৈছিল। মহাবিদ্যালয়ৰ ইতিহাস বিভাগত অনাৰ্চ বা মেজৰ নথকাতো, অসমৰ শদিয়াৰ অঞ্চলৰ ইতিহাস অধ্যয়নৰ প্ৰতি আগ্ৰহী থকা ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত এক সমস্যা আছিল। এই শিক্ষাৰ বাবে বহু ছাত্ৰ-ছাত্ৰীয়ে দূৰৰ বিশ্বনাথ মহাবিদ্যালয়, দৰং মহাবিদ্যালয়, লক্ষীমপুৰ মহাবিদ্যালয় আদিত ভৰ্তি হ'ব লগা হৈছিল। আৰু আৰ্থিক ভাৱে দুৰ্বল সকলে এই শিক্ষাৰ বঞ্চিত হৈছিল।

১৯৯৭ চনত ইতিহাস বিভাগলৈ এটা সদূৰ পৰিৱৰ্তন আহিল। তেতিয়াৰ অধ্যক্ষ শ্ৰীযুত অচ্যুতানন্দ দেৱ গোস্বামীদেৱে সেই দীৰ্ঘদিনীয়া সমস্যাৰ গুৰুত্ব বুজি সেই বছৰত মহাবিদ্যালয়ৰ ইতিহাস বিভাগত মেজৰ পাঠ্যক্ৰম আৰম্ভ কৰে। মেজৰ পাঠ্যক্ৰমৰ শ্ৰেণী সমূহ চলাই নিবলৈ মোক (ড: ৰণজিৎ কামান) Adhoc ভিত্তিত প্ৰবক্তা হিচাপে

নিযুক্তি দিয়ে। নতুনকৈ আৰম্ভ কৰা মেজৰ পাঠ্যক্ৰমত প্ৰথম দলৰ ছাত্ৰ-ছাত্ৰী হিচাপে অধ্যয়ন কৰিবলৈ আহিছিল ক্ৰমে - ৰঞ্জন হাজৰিকা, বেদান্ত বৰুৱা, ৰাজু শৰ্মা, সংগীতা শৰ্মা আৰু অঞ্জু লাহন। তৃতীয় দলৰ ছাত্ৰ অজিত কেওট আগ্ৰ ৮০% নম্বৰ অৰ্জনত প্ৰথম শ্ৰেণীৰ ডিগ্ৰী লাভৰ পথাৰ বাহকত হৈছিল। কিন্তু কেওটে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণী স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি বৰ্তমান মাজুলীৰ জেংৰাই মুখ মহাবিদ্যালয়ত সহকাৰী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

১৯৯৯ চনত ~~আৰু ২০০১~~ স্বপ্না কাকতি আৰু ২০০১ চনত ইন্দ্ৰ বায়ন্দুৰ নেৱাৰ বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। ২০০০ চন আৰু ২০০১ চনত ক্ৰমে বিজয়চন্দ্ৰ গোস্বামী আৰু ৰাজেন্দ্ৰ নাথ কাকতী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। উক্ত সময়ৰ প্ৰৱক্তা সকল বিভাগটিলৈ অহাৰ লগে লগে বিভাগটোৱে পুৰ্বতকৈ বেছি গতিশীলতা লাভ কৰে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত ছাত্ৰ-ছাত্ৰী সকলে লেটাৰ নম্বৰ ঐতিহাসিক ভাৱে লাভ কৰিবলৈ সক্ষম হয়। অন্য বিষয় সমূহৰ তুলনাত, ইতিহাস বিষয় অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী সংখ্যা যথেষ্ট কম। ইয়াৰ বিভিন্ন কাৰণ আছে। ইতিহাস অধ্যয়ন, ছাত্ৰ-ছাত্ৰী সকলৰ মাজত জনপ্ৰিয় কৰি তুলিবলৈ বিভাগটোৱে নিৰবিচ্ছিন্ন ভাৱে যত্ন কৰি আছে। বিভাগে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত মহকুমা ভিত্তিক বুৰঞ্জী মূলক কুইজ প্ৰতিযোগিতা, বুৰঞ্জী বিষয়ত ৰচনা আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

জন্মলগ্নৰে পৰা ইতিহাস বিভাগে, ছাত্ৰ-ছাত্ৰী সকলৰ উন্নত শিক্ষাৰ দিশত যথেষ্ট গুৰুত্ব প্ৰদান কৰি

আহিছে। ইয়াৰফলত বিভাগে লাভ কৰিবলৈও সক্ষম হৈছে। ২০০১ চনত বিশ্ববিদ্যালয় স্নাতক চূড়ান্ত পৰীক্ষাত ত্ৰিদিব নয়ন কৌশিকেই বিশ্ববিদ্যালয়ৰ ১০ নং স্থান লৈ প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁৱেই প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী লাভ কৰা প্ৰথম জন ছাত্ৰ। পৰৱৰ্তী বছৰ অনুৰূপ ক্ৰমে ত্ৰিদিব জ্যোতি চলিহা (চতুৰ্থ স্থান) পংকজ কাগ্যুং (সপ্তম স্থান) মৌচুমী আচাৰ্য (দ্বাদশ স্থান) লাভ কৰি প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে। গুণগত শিক্ষাৰ দিশত গুৰুত্ব দিয়াৰ ফলত ইতিহাস বিভাগত drop out ৰ সংখ্যা তেনেই নগন্য। দুই চাৰি বছৰৰ বাদে যিকোনো বিষয়ত উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ বুলি কব পাৰি। বিশ্ববিদ্যালয়ে প্ৰবৰ্তন কৰা Semester পদ্ধতি শিক্ষা ব্যৱস্থাত ইতিহাস বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে গুণগত শিক্ষা গ্ৰহণ কৰা সফল হৈছে। Semester পদ্ধতিৰ প্ৰথমটো চূড়ান্ত পৰীক্ষাত বিভাগৰ ৮ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে।

জয়দুৱাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক সকল গৱেষণা আৰু বিভিন্ন বিষয়ত শিক্ষামেলাৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া। মুৰব্বী অধ্যাপক ড: ৰনজিত ডম্মানে বিশ্ববিদ্যালয় অনুদান আয়োগে অনুমোদন কৰা দুটা Minor Research Project আৰু Indian Council of Historical Research য়ে অনুমোদন কৰা ১টা Research Project ইতিমধ্যে সম্পন্ন কৰিছে। বিভাগৰ আন এজন

স্বপ্না কাকতি আৰু ইন্দ্ৰ বাহাদুৰ ছেত্ৰীৰ দ্বাৰা ২টা আৰু ১টাকৈ Minor Research Project আৰু ১টাকৈ Research Project ইতিমধ্যে সম্পন্ন কৰিছে। অলপতে বিশ্ববিদ্যালয় অনুদান আয়োগে ড: ৰনজিত কাকতিক "নদী পৰীয়া লোক সকলৰ সামাজিক, অৰ্থনৈতিক আৰু সংস্কৃতি অৱস্থা বিষয়ে গৱেষণা কৰিবলৈ এটা Major Research Project অনুমোদন জনায় interface meeting লৈ আমন্ত্ৰণ জনাইছে। ইয়াৰ পৰি অধ্যাপিকা স্বপ্না কাকতিয়ে স্নাতক মহলা ছাত্ৰীসকলো বিভাগ সকলৰ উদ্যোগত মহাবিদ্যালয়ৰ ইতিহাস বিভাগলৈ গৌৰৱ কঢ়িয়াই আনিছে।

গৱেষণাৰ দিশ উৎসাহিত কৰিবলৈ আৰু গৱেষক সকলক নতুন মঞ্চ প্ৰদান কৰা উদ্দেশে ২০১০ চনত বিশ্ব-বিদ্যালয় অনুদান আয়োগৰ আৰ্থিক সাহায্যৰে এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা চক্ৰত ৬০ সংখ্যকতকৈও অধিক গৱেষণা পত্ৰ পাঠ কৰা হৈছিল। উল্লেখনীয় যে সেই আলোচনা মহাবিদ্যালয়ৰ তলা সংস্থাৰ প্ৰথম ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ।

২০১০ চনত বৰ্তমানৰ অধ্যক্ষ ড: অৰুণ কুমাৰ শৰ্মাই বিভাগটোক পৃথক এটা কোঠা প্ৰদান কৰি অধিক গতিশীল কৰি তুলে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল লগত অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ বিষয়ক সমূহ আলোচনা কৰা সম্ভৱ সুবিধা হৈছে। বৰ্তমান ইতিহাস বিভাগৰ প্ৰবীণ সদস্য হৈছে অধ্যাপক মাৰ্টিন। তেখেতৰ নীয়া অধ্যাপকে উচ্চতম মাধ্যমিকৰ পৰা স্নাতক তৃতীয় বৰ্ষলৈকে আদৰ্শ ছাত্ৰ-ছাত্ৰী শ্ৰেণীত পাঠ দান কৰিব পাৰে। ইতিহাস বিভাগৰ প্ৰবীণ লক্ষ্য হৈছে সকলোত শিক্ষা প্ৰদান আৰু ইতিহাস অধ্যয়ন জনপ্ৰিয় কৰি তুলা।

# ইতিহাসৰ প্ৰাসংগিকতা

স্বপ্না কাকতি
সহকাৰী অধ্যাপিকা

"History is an unending dialogue between the past and the Present." — বিশ্ববিখ্যাত ইতিহাসবিদ ই. এইচ. কাৰৰ (E.H. Carr) এই কথাষাৰে বহুত কথাই মনত পেলাই দিয়ে। অতীত আৰু বৰ্তমানৰ নিৰৱচ্ছিন্ন যোগসূত্ৰেই যদি ইতিহাস হয়, তেনেহ'লে কবিৰ ভাষাৰ দৰে "অতীত আছিল যিদিন, তাৰ কথা অন্ত হ'ল" বুলি অতীতক এৰি দিব পাৰি জানো? বৰ্তমানৰ জন্মদাতা অতীতক বাদ দিলে বৰ্তমানটোতো অসম্পূৰ্ণ হৈয়ে ৰ'ব। তেতিয়াহ'লে অতীত আৰু বৰ্তমানৰ সীমাৰেখাডাল টানিব পৰা যাব জানো? কাৰণ প্ৰতি মুহূৰ্তত এই বৰ্তমানটো অতীত হৈ গৈ আছে। অতীত আৰু বৰ্তমানৰ নিবিড় সম্বন্ধ ৰক্ষা হয়, কিন্তু বৰ্তমানক জানিবলৈ বা বুজিবলৈ অতীতৰ অধ্যয়ন অপৰিহাৰ্য।

বৰ্তমান আমাৰ সমাজত এটা শিক্ষা ক্ষেত্ৰত ইতিহাস অধ্যয়নৰ প্ৰতি মানুহৰ আগ্ৰহ কমি অহা পৰিলক্ষিত হৈছে। ইতিহাসৰ প্ৰতি ক্ৰমাগতভাৱে যদি আমাৰ এই অনীহা বাঢ়ি যায়, তেন্তে এটা জাতিৰ অতীত সম্পৰ্কে জ্ঞান দিব পৰা ইতিহাস-বিষয়ৰ বুদ্ধিজীৱীৰ চেতনাৰ সময় আহি পৰিছে। আধুনিক বুদ্ধিজীৱী এচাম বিজ্ঞান নিৰ্ভৰভাৱে কয় ইতিহাসৰ অধ্যয়ন এটা জাতি বা দেশৰ উন্নত ভৱিষ্যত নিৰ্মাণৰ বাবে সমাজৰ প্ৰগতিৰ বাবে অৱদান দিব পাৰে। ইতিহাসৰ অধ্যয়নে মানুহক জাতি বা দেশৰ ভৱিষ্যতৰ পথ নিৰ্দেশনা দিয়ে।

# VIEWS OF DIFFERENT VIEWERS

# ABOUT HISTORY

— BY, GAUTAM NAYAK.
3rd SEMESTER.

ARISTOTLE — "HISTORY AS AN ACCOUNT OF THE UNCHANGING PAST".

FRANCIS BACON — "HISTORY IS A DISCIPLINE WHICH MAKES MAN WISE".

J.B. BURY — "HISTORY IS A SCIENCE, NO LESS NO MORE".

SIR JOHN SEELY — "HISTORY IS PAST POLITICS".

LORD ACTION — "THE UNFOLDING STORY OF HUMAN FREEDOM".

E.H. CARR — "HISTORY IS AN UNENDING DIALOGUE BETWEEN THE PRESENT AND THE PAST".

ALLAN NEVIN — "HISTORY IS ACTUALLY A BRIDGE CONNECTING THE PAST WITH THE PRESENT, AND POINTING THE ROAD TO THE FUTURE".

HENRY FORD — "HISTORY IS BUNK".

LICKY — "HISTORY IS THE RECORD OF EXPLANATION OF MORAL REVOLUTION".

FROM THE ABOVE VIEWS IT IS CLEAR THAT HISTORY IS MAINLY CONCERNED WITH THE ACTIVITIES OF HUMAN BEING. IT IS THE STUDY OF EVENTS IN MAN'S STRUGGLE FOR PROGRESS. CHANGE IS THE PART AND PARCEL OF HISTORY AS 'CHANGE IS THE LAW OF LIFE'.

## The imaginary Pride of Gohpur — Biswajyoti Saronah

TDC 1st year

Swaheed Kanaklata Barua was one of the leader in Assamese women in Indian independence movement. She was from Barangabari under Gohpur Police station in the district of Sonitpur. She was gunned down by the British armed Police along with Mukunda Kakati in front of Gohpur Police station in 20 Sept. 1942.

She was born on 22nd December, 1924 at Barangabari in a conservative family called 'Dolakasharia' family. She became orphan at the age of 5 and Perhaps because of her helpless position, She bore a responsible mind since her childhood; and these responsible and dutiful charter on her Part ultimately inspired her life for the cause of the nation at the prime of her life. 20th September of 1942 is a red letter day in the history of 'Quit India Movement'. Like in many other Places of Assam, preparation for successful implementation of the programme was also at Barangabari Under Gohpur Police Station of Darrang (at present Sonitpur).

The preparation was made by the people of three Mauzas- Kallangpur, Helem and Brahmajan Under the leadership of local leaders like Jonaram Bhuyan, Jiten Borah, Lakhi Kanta Borah, Giridhar Barua, Karneswar Hazarika and Mukunda Kakaty These leaders inspired the local people with the slogan of Gandhiji 'Do or Die'. Swaheed Kanaklata Barua, who took the leading Part in the programme chalked out by these leaders for 20th September, 1942 at Barangabari and ultimately became martyr on the said day, was an unsophisticated village girl of 18 years.

Kanaklata Barua got her name enrolled in the volunteers force organized for the purpose of hoisting the India national flag at the Gohpur police Station on 20 September, 1942 without the knowledge of other members of the family. In the early morning of 20th September, like the other days, she completed her domestic works and took meal with her younger brother and sister, telling them mournfully that she might be not not able to come back alive and then she went out and joined the picketers at Barangabari Chariali. She stood at the head of the women volunteers line with the national flag in her hand.

On receipt of the singal from the leaders, the volunteers, two in line, male and female proceeded towards the Gohpur police station about 12 KM from the spot. The aim of the volunteers was to hoist the national flag at the British dominated police station, following Gandhi's principle of no-violence. The were joined by many other volunteers at different places on their way to Gohpur and all of them were shouti-ng the slogans, 'British imperialists should go back', 'Freedom is our birth right' etc. The leaders asked the female volunteers to be behind the line, but Kanaklata strongly opposed the suggestion and said that they would not be at the back of the line, if necessary, the women volunteers would sacrifice their lives for the cause of the nation. This immortal speech of Kanaklata on the verge of her imminen-t death inspired the minds of thousands of male and female volunteers of the day and made them forget the dangers likely to be front of the Thana. Shouthing the slogan: 'Do or die' the reached the Tana. At the same time, volunteers from the eastern part of Gohpur

like Kalabari, Kamdewal, Dubia etc. led by the local leaders reached the Thana and made queue in front of the eastern gate. The police force led by R.M. Sumia surrounded the western gate and didnot allow the picketers to enter the compound to hoist the flag in spite of repeated request from their side. In the meantime, Kanaklata with the national flag in her hand tok her position at the head of the line of femal volunteers and tried to convince the Policemen by saying that they came to achieve their noble object of hoisting flag at the Thana. The police force prevented the volunteers by pointing their guns towards them. Ultimately Kanaklata enter the compound by pushing aside a gun in her hand, saying that they could kill their human bodies but not their soul which is made of iron. The police force opened fire at the unarmed picketers without any prior warning. Next round of firing caused grievous injury on the head of Mukunda Kakaty, who secumbed to it on the same day at 8pm and also injured many other volunteers. Kanaklata died on the spot. Rampati Rajkhowa, one of the volunteers hoisted the flag on the Thana.

The body of Kanaklata was brought to her home at Barangabari. Kanaklata is no more with us, but the sacrifice of her life has remained a great source of insperation for thousand of Indian women.

Let us remember the great martyr after 72 years of her death.

# লক্ষ্য আৰু উদ্দেশ্যৰ খোজত ছয়দুৱাৰ মহাবিদ্যালয়

১ম Semester
Sanghamitra Deuri

আমাৰ প্ৰতিটো খোজৰ পৰিচালিত হয় লক্ষ্য, উদ্দেশ্য আৰু জীৱন নামৰ শব্দৰ পৰা। জন্ম হোৱাৰে পৰা আমি এই দুনীয়া, পৃথিৱী, আকাশ, নদ-নদী, সাগৰ-মহাসাগৰ, গছ-গছনি, জীৱ-জন্তু আদিৰ সৈতে আমাৰ জীৱন যাত্ৰাৰ আৰম্ভ। এই যাত্ৰাৰ কোনো অন্ত নাই ই অন্তহীন। ইয়াৰ মাজতে আমাৰ সুখ-দুখ, হাঁহি-কান্দুন, আনন্দ, বিষাদ, ঘাত-প্ৰতিঘাতেৰে ভৰা এই মানৱ জীৱনৰ যাত্ৰা। ইয়াৰ যাত্ৰা কৰিছো কিন্তু ইয়াৰ অন্ত ক'ত সেয়া নাজানো। নাজানো মই দেখা লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰতিটো সপোনৰ যাত্ৰা আৰু ইয়াৰ অন্ত হ'ব ক'ত। তথাপিও মই সপোন দেখো, আশা কৰো আৰু লক্ষ্য আৰু উদ্দেশ্যবোৰ বান্ধি আগবাঢ়িব বিচাৰো। এনে বহু লক্ষ্য আৰু উদ্দেশ্য লৈ মই ছয়দুৱাৰ মহাবিদ্যালয়ত ভৰি দিলো। সপোনৰ ঘৰৰ চোতালত। নাম ভৰ্তি কৰিলো T.D.C. ১ম yearত আৰু মই Major ল'লো Historyত। আৰম্ভ হ'ল মোৰ এক নতুন জীৱন যাত্ৰাৰ। এয়া মোৰ প্ৰথম লক্ষ্য আৰু উদ্দেশ্যৰে ছয়দুৱাৰ মহাবিদ্যালয়ত জীৱনৰ প্ৰথম খোজৰ আৰম্ভণি।

ইতিহাস ঃ- শিক্ষাৰ দিশত ইতিহাসৰ ভূমিকা অতীৱ গুৰুত্বপূৰ্ণ। ইতিহাসে ভৱিষ্যত নাগৰিকক অতীতৰ লগত চিনাকি কৰি দিয়ে আৰু আমাৰ ধাৰণাত এনেকুৱা এটা পটভূমিৰ সৃষ্টি কৰে যিটোৰ ওপৰত ভিত্তি কৰি আমি নিজৰ বৰ্তমান গঢ়ি তুলিব পাৰো আৰু নিজকে ভৱিষ্যতৰ কাৰণে সাজু কৰি তুলিব পাৰো। ইতিহাসৰ জৰিয়তে ভৱিষ্যতৰ নাগৰিকে পতনৰ গভীৰ তলিৰ পৰা ওলাই আহিব পাৰে আৰু প্ৰগতিৰ উচ্চ শিখৰত আৰোহণ কৰিবলৈ সমৰ্থবান হ'ব পাৰে। ইতিহাসে আমাৰ জীৱনৰ, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশৰ বিষয়ে আলোচনা কৰে।

DEFINATIONS OF HISTORY

1. According to the earliest definition of Aristotle, "History is an account of the unchanging past."
2. According to Reniev, history can be termed as a study which is concerned with the human past.
3. E. H. Carr gives a very beautiful definition of history. He says– history is an unending dailogue between the past and the present.
4. According to Freud, "Historical records are a law of right and wrong."
5. According to H. G. Wells, "Human history is in essence a history of ideas."

## ঐতিহাসিক নগৰ গহপুৰ

শ্ৰীমতী ঘুটে (1st sem)

ইতিহাস প্ৰসিদ্ধ নগৰ গহপুৰ শোণিতপুৰ জিলাৰ পূব প্ৰান্তত অৱস্থিত। উত্তৰে অৰুণাচল, দক্ষিণে ব্ৰহ্মপুত্ৰ, পূবে লখিমপুৰ আৰু পশ্চিমে বুৰৈ নৈ মাজৰ অঞ্চলটোৱেই গহপুৰ।

বহুকেইজন গুণী-জ্ঞানী, প্ৰসিদ্ধ ব্যক্তিৰ জন্মস্থান এই গহপুৰ। এই বিশিষ্ট ব্যক্তিসকলৰ যোগেদি অসমৰ কলা-সংস্কৃতিকে আদি কৰি বিভিন্ন ক্ষেত্ৰলৈ গহপুৰৰ পৰা অতুলনীয় অৱদান আগবঢ়া-বলৈ সক্ষম হৈছে। চন্দ্ৰকুমাৰ আগৰৱালা, প্ৰেম বৰুৱা, হৰবিলাস আগৰৱালাৰ দৰে গহপুৰৰ ব্যক্তিয়ে দেশৰ সাহিত্য-সংস্কৃতিলৈ যি অতুলনীয় অৱদান আগবঢ়াইছে ইয়াৰ জৰিয়তে তেওঁলোকে নিজৰ লগতে গহপুৰৰ নাম উজ্বলাই তুলিছে।

1826 চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্তমতে অসমৰ লগতে গহপুৰো ব্ৰিটিছৰ অধীনলৈ আহে। ব্ৰিটিছৰ স্বেচ্ছাচাৰী শাসনত অতিষ্ঠ হৈ গহপুৰবাসীৰ লগতে অসম বাসীয়েও চিপাহীসকলৰ নেতৃত্বত 1857 চনত চিপাহী বিদ্ৰোহ সংঘটিত কৰিছিল যদিও ই ব্যৰ্থ হৈছিল।

1920 চনত গান্ধীজীয়ে অসহযোগ আন্দোলন ঘোষণা কৰাৰ লগে লগে সমগ্ৰ ভাৰতৰ লগতে অসমতো এই আন্দোলন বিয়পি পৰে। সমান্তৰালভাৱে গহপুৰতো এই বিপ্লৱৰ অগনি জ্বলি উঠে। গহপুৰৰ উত্তেজিত যুৱকসকলে এই আন্দোলনত যোগ দি ইয়াৰ তীব্ৰতা বৃদ্ধি কৰে।

1942 চনত ভাৰতত স্বাধীনতা আন্দোলনে ভয়ানক ৰূপ ধাৰণ কৰে। গোটেই ভাৰতবাসী আন্দোলনত জঁপিয়াই পৰে। গহপুৰো পিছ পৰি নাথাকিল। গহপুৰৰ জনসাধাৰণৰ দ্বাৰা গহপুৰ থানাত পতাকা উত্তোলনৰ সিদ্ধান্ত কৰা হ'ল। এই সিদ্ধান্ত মৰ্মে

২০ সেপ্তেম্বৰৰ পুৱা ৪ (আঠ) বজাত ৰবঙাবাৰীত প্ৰায় ৩/৪ হাজাৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সমবেত হৈ গহপুৰৰ থানা দিশে আগবাঢ়ে। কনকলতাৰ নেতৃত্বত মহিলাসকল আৰু আনে শ্বৰ মহন্তৰ নেতৃত্বত পুৰুষৰ দলটো আগবাঢ়ে। উত্তেজিত সমদল টোক পুলিচে বাধা প্ৰদান কৰিবলৈ চেষ্টা কৰি ব্যৰ্থ হোৱাত অৱশেষত পুলিচে গুলি বৰ্ষণ কৰে। সেই গুলিয়ে কনকলতাৰ বুকু ভেদ কৰে। লগতে মুকুন্দ কাকতিয়েও প্ৰাণ হেৰুৱাই। এক চৰম বিশৃংখলতাৰ পৰিবেশ সৃষ্টি হয়। এনে বিশৃংখলতাৰ সুযোগ লৈ ৰামপতি ৰাজখোৱা নামৰ একজন লোকে পিছফালেদি থানাৰ ওপৰত ত্ৰিৰংগা পতাকা উৰুৱাবলৈ সক্ষম হয়। কনকলতা, মুকুন্দ কাকতিকে আদি কৰি বহুলোকে প্ৰাণ হেৰুৱাই আৰু তাৰ ফলশ্ৰুতিত দেশে স্বাধীনতা লাভ কৰে। লগতে গহপুৰৰ নাম ইতিহাসৰ বুকুত চিৰদিনৰ বাবে ভোটাতৰাৰ দৰে জিলিকি ৰ'ল আৰু ই এখন ঐতিহাসিক প্ৰসিদ্ধ নগৰ হিচাপে পৰিগণিত হ'ল।

## অসমৰ গ্ৰাম্য জীৱনত টাই আহোম সকলৰ সংস্কৃতিৰ প্ৰভাৱ

জীকবিশা বুঢ়া
তৃতীয় ষাণ্মাসিক

অসম তথা উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰা টাই মংগোলীয় জনগোষ্ঠী সমূহৰ ভিতৰত টাই আহোম সকলে বৃহত্তৰ অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াত আগবঢ়োৱা অৱদান সৰ্বজন বিদিত। অসমীয়া সাংস্কৃতিক পথাৰখনত টাই আহোম সংস্কৃতিৰ বাৰেবৰণীয়া ফুল মাধুৰ্য্যই সোণত সুৱগা চৰায় অধিক আকৰ্ষণীয় কৰি তুলিছে।

আটকাই পৰ্বত পাৰ হৈ স্বৰ্গদেউ চাওলুং চুকাফাই ১২২৮ খ্ৰীষ্টাব্দত স্থাপন কৰা আহোম সাম্ৰাজ্যই ৬০০ বছৰীয়া ৰাজত্ব কালত অসমীয়া সমাজখনক ৰাজনৈতিক স্থিৰতা প্ৰদান কৰাৰ লগতে জাতিটোক সাংস্কৃতিক আৰু অৰ্থনৈতিক ভাৱে সুস্থিৰতা আৰু সক্ৰিয়তা প্ৰদান কৰি এক সাংস্কৃতিক সম্পন্ন জাতি হিচাপে নিজকে গঢ় দিয়াত যেতিয়া টাই আহোম সকল ব্যাপক ভাৱে সফল হৈছিল। টাই আহোম সকলে অসমত আহি কৃষি কাৰ্যত ব্ৰতী হোৱাত পৰৱৰ্তী সময়ত অসমৰ স্থানীয় বাসিন্দা সকলে সেই বৃত্তিকেই আঁকোৱালি লয়। কৃষিৰ প্ৰতি প্ৰজাগণক আকৰ্ষিত কৰাৰ উদ্দেশ্যেই আৰু কোনো কোনো স্বৰ্গদেউৰে ৰাজকাৰেঙত বছৰি "হল বাই" দেখুওৱা প্ৰথা প্ৰচলন কৰিছিল। কৃষিৰ ওপৰত নিৰ্ভৰ কৰি বিকশিত হোৱা টাই আহোম সংস্কৃতিয়ে বৃহত্তৰ অসমীয়া সংস্কৃতিৰ বুনিয়াদ গঢ় দিছিল।

টাই আহোম সংস্কৃতিৰ অৱদানে অসমৰ অসমীয়া সমাজখনক কৃষি কৰ্মৰ যোগেদি যুক্তি যুক্ত প্ৰাকৃতিক সম্পদ আহৰণ কৰি এটা আত্ম নিৰ্ভৰশীল জাতি হিচাপে গঢ় দি এক প্ৰকৃতি কেন্দ্ৰিক সংস্কৃতিৰ বুনিয়াদ ৰচনা কৰিছিল। তাহানিতে মোমাই তামুলী বৰবৰুৱাই প্ৰৱৰ্তন কৰা "বাৰী পতা" প্ৰথাৰ দ্বাৰা অসমীয়া সমাজখনক উদ্ভিদ ৰোপনৰ দ্বাৰা পৰিবেশ পৰিশোধন কৰি সমাজখনক সুন্দৰ কৰি তোলাৰ আজিলৈ ব্যৱস্থা গ্ৰহণ কৰে।

অসমীয়া জাতিৰ অন্য এক গৌৰৱান্বিত অমূল্য সম্পদ হ'ল মুগা খেতি। আহোম সকলেই অসমত প্ৰথমে মুগা খেতিৰ প্ৰচলন কৰে। টাই আহোম পুৰুষ মহিলা উভয়ে মুগা বস্ত্ৰ পৰিধান কৰিছিল। সময় পাৰ হোৱাৰ লগে লগে অসমৰ খিলঞ্জীয়া লোক সকলো এই খেতিৰ প্ৰতি আকৰ্ষিত হয়। বৰ্তমান যুগত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি কাৰণত অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ গ্ৰাম্য জীৱনৰ পৰিবৰ্তন সাধিত হৈছে। বৰ্তমান সময়ত ব্যাপক ভাৱে প্ৰচলিত পানী খেতি টাই আহোম সকলে প্ৰৱৰ্তন কৰে। এই খেতি অসমীয়া গ্ৰাম্য অৰ্থনীতিৰ মূল খুঁটি।

ইতিহাসে প্ৰমাণ কৰে যে আহোম সকলে ঢাপ মাৰি বাটী পাতিছিল আৰু গড় মাৰি নগৰ নিৰ্মাণ কৰিছিল। ঢাপ মাৰি বাটী পতা বাহিৰে বাঁহ, বিভিন্ন বৰণৰ গছ ৰুইছিল। অসমীয়া আহাৰ সময়ত তেওঁলোকে বগৰী, পহিচ আৰু ফল-মূলৰ গছ লৈ আহিছিল। সেই বোৰৰ ভিতৰত আহোম শালিধান, আহোম বগৰী, নগা বগৰী

আদি। পানীৰ ভোনত ভিজাই তৈয়াৰ কৰা বৰা চাউলৰ জলপান আহোম সকলৰ এক প্ৰকাৰৰ প্ৰিয় খাদ্য। তামোল, পাণ আহোম সকলৰ সমাদৰ লাভ কৰাৰ পাছত অসমীয়া সংস্কৃতিৰ এক অপৰিহাৰ্য অংগত পৰিণত হয়। টাই আহোম সকলৰ সাজ পোছাকৰ বৈশিষ্ট্য অতিকৈ লেখত লবলগীয়া। মুগা পালন কৰাৰ উপৰিও পাট, মোজাংকৰী আদি শিল্পৰ প্ৰসাৰ সাধনত টাই আহোম সকলৰ স্থান অতিকৈ উচ্চ শিখৰত গতি কৰিছিল। আহোম সমাজত অ-অলংকাৰৰ ব্যাপক ভাৱে সমাদৃত আছিল। জোন বিৰি, ঢোল বিৰি, ঝাৰ্ণ, নেকেজা, কেৰু, মাদলি, বাখাৰাম, সোণৰ আঙুঠি, খাৰু, সোণৰ হাৰ, ডুগডুগী, লোকাপাৰ আদি অ-অলংকাৰ উচ্চ বৰ্ণৰ ৰাজকীয় লোক সকলৰ লগতে প্ৰজা সাধাৰণৰ মাজতো ব্যাপক হাৰত প্ৰচলিত হয়।

মুঠতে আহোম যুগৰে পৰাই মংগোলীয় আৰু আৰ্য সংস্কৃতিৰ এক অপূৰ্ব সমন্বয় ঘটিবলৈ ধৰে। ফল শ্ৰুতিত অসমৰ গ্ৰাম্য জীৱনৰ সামগ্ৰীক ক্ষেত্ৰত টাই মংগোলীয় সকলৰ সাংস্কৃতিক প্ৰভাৱ বিশাল ৰূপত প্ৰসাৰিত হোৱা পৰিলক্ষিত হয়। সকলোতে নতুনত্বৰ পোছাক মেৰিয়াই টাই আহোম সকল অসমীয়া সংস্কৃতিৰ কাণ্ডাৰী স্বৰূপে জোকত জিলিকা হৈ এক বৈশিষ্ট্য পূৰ্ণ সংস্কৃতি গঢ় দিয়াৰ দি নিজকে অসমৰ বুৰঞ্জীৰ পাতত স্থান দিছিল।

## বুৰঞ্জী প্ৰসিদ্ধ শোণিতপুৰ জিলাৰ কলংপুৰ অঞ্চল ।

শ্ৰী শ্যামল শইকীয়া
স্নাতক পঞ্চম ষাণ্মাসিক
[ইতিহাস বিভাগ]

অসমৰ বুৰঞ্জী প্ৰসিদ্ধ ঠাঁই সমূহৰ ভিতৰত শোণিতপুৰ জিলাৰ এক বিশেষ স্থান আছে। বৰ্তমানে শোণিতপুৰ জিলাখনৰ বিভিন্ন ঐতিহাসিক অঞ্চল সমূহ ইতিহাস তথা আন্য বিভিন্ন বিষয়ৰ বাবে এক গুৰুত্বপূৰ্ণ অধ্যয়নক্ষেত্ৰ ৰূপে পৰিগণিত হোৱা দেখা গৈছে।

শোণিতপুৰ জিলাখনৰ বুৰঞ্জীমূলক অঞ্চলসমূহৰ ভিতৰত জিলাখনৰ কলংপুৰ অঞ্চলত (মৌজা) ঐতিহাসিক কিছু বৈশিষ্ট্য প্ৰতিফলিত হোৱা দেখা যায়। উক্ত কলংপুৰ অঞ্চলটো এক ভৌগোলিক অৱস্থিতিৰে চহকী হৈ আছে। অঞ্চলটোৰ পশ্চিমে চেঁচেন আলি তথা গাভৰু ঘাটৰ কিছু অংশ, পূবে জিয়া নদীৰ লগতে গহপুৰ নগৰৰ কিছু অংশ, উত্তৰে বালিপাৰা নদীৰ সীমা পৰ্যন্ত আৰু দক্ষিণে ব্ৰহ্মপুত্ৰৰ, বিৰিঞ্চিপুৰ, চাবেকীয়া, দ্বিপাৰ, ছৈলাগুৰি, কলাইগুৰি, হাতিবান্ধা আদি ঠাঁই সমূহক লৈ গঠিত।

কলংপুৰ অঞ্চলটোৰ অন্যতম প্ৰাচীন ঐতিহাসিক [illegible] অঞ্চল বা ঠাঁই হৈছে দ্বিপাৰ। উক্ত দ্বিপাৰ ঠাঁইখনত প্ৰাচীন অসমৰ বাণপুৰৰ ৰজা বাণাসুৰৰ পুত্ৰ- অনিৰুদ্ধ আৰু তেওঁৰ ইন্দ্ৰ আৰু সিহঁতে এটা পুখুৰী খন্দাইছিল, আৰু অনিৰুদ্ধৰ নামৰ পুখুৰীটো বৰ্তমানে দ্বিপাৰা পুখুৰী নামে জনাযায়। কিংবদন্তী অনিৰুদ্ধ আৰু [illegible] এই অঞ্চলটোত থাকিছিল। কল্যাণী আইৰ কৃপা-দৃষ্টি থকা অঞ্চলটোত অনিৰুদ্ধ আৰু কিছু মানসিক

আনি পাৰ্বতীক আৰু তেওঁ নিজ পত্নী আনিবলৈ যঁতলা পথ নিৰ্মাণ কৰিছিল। উক্ত অঞ্চলতে এটি ঘাট জোখৰ আৰিমত্তক কিন্তু একজনী পাৰে পৰি নিধন নাছিল। কল্যাণী দেৱীৰ অপত্য অৰ্থাৎ আৰিমত্ত বিমোহিত হৈছিল আৰু কাকতিয়া আমাৰ ফলত কল্যাণী দেৱীক নিজৰ কৰিবলৈ দৃঢ় পণ কৰিছিল কিন্তু এই কাৰ্য্য তেওঁ সফল হব পৰা নাছিল। সেইবাবে আৰিমত্তই কল্যাণী দেৱীক বলপূৰ্বক ধৰি আনিবলৈ যাওঁতে দেৱী পাথৰ সৃষ্টি কৰি অদৃশ্য হয়। উক্ত পাথৰ-পথৰ আৰু সাধাৰণ মানুহৰ মূৰত সময়। পথৰ নাতিদূৰত ঐতিহাসিক কল্যাণী মঠ। উক্ত মঠ মাতলৈ আহোম স্বৰ্গদেউ শিৱসিংহই মন দিয়া সময় দুংসময় আৰু বলি কৰা হয় অনেকে আজিলৈকে কল্যাণী আৰু নিজৰ অস্তিত্ব অঞ্চলটোত ঘোষণা কৰি আছে। (উক্ত অঞ্চলটো কল্যাণপুৰ নামে জনাজাত)

উক্ত অঞ্চলটোৰ অন্য এটা ঐতিহাসিক তথ্য হৈছে ভোলাগুৰি চাহ বাগিচাখন। (কলংপুৰ অঞ্চলৰ পূব দিশে অৱস্থিত)। এই ভোলাগুৰি চাহ বাগিচাতে নিৰ্মাণ হৈছিল ১৯৩৫ চনত অসমৰ প্ৰথমখন বোলছবি 'জয়মতী'। জ্যোতি প্ৰসাদ আগৰৱালা দেৱে কলপটুৱাৰে অৰ্থাৎ স্টুডিঅ' সাজিছিল অস্থিৰৰ কুচুপালি প্ৰতিষ্ঠাত নিৰ্দিষ্ট আছে। বৰ্তমানে জ্যোতি প্ৰসাদ আগৰৱালা দেৱৰ স্টুডিঅ' অৱস্থিত ঠাই এখন জ্যোতি উদ্যান নামেৰে উন্নীত আছে। বৰ্তমানে ঠাইখনত আধুনিকতাৰ চুৰ্ণ পৰিছে যদিও জ্যোতিৰ অস্তিত্ব হেৰোৱা নাই।

কলংপুৰ অঞ্চলটোৰ বাৰঙাবাৰী নামৰ ঠাইখনতে '৪২'ৰ আন্দোলনত স্বাধীনতা সংগ্ৰামী কনকলতা বৰুৱাৰ জন্ম হৈছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ কালজয়ী মুকুন্দ কাকতিৰ স্বাধীনতা কনকলতা বৰুৱাসহ অঞ্চলটোৰ সংগ্ৰামী নেতা তিলক বৰা (বাৰঙাবাৰী) হেমন্ত তথা হেমকান্ত বৰুৱা (বাৰঙাবাৰী) ভুলেশ্বৰ বাজোৱাৰ

(বৰঙাবাৰী) মহেশ্বৰ বৰা (বালিজুৰি) আদিৰ লগত ৰামু বৈৰাগীৰ সংগ্ৰামী বাহিনীয়ে 1942 চনৰ 20 সেপ্তেম্বৰ তাৰিখে গহপুৰ থানাত আৰু বৃটিছৰ থানাত ৰাষ্ট্ৰীয় ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈ আগবাঢ়িছিল। উক্ত ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈ যাওঁতে বৃটিছৰ গুলীত কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ মৃত্যু হয় আৰু মহেশ্বৰ ~~[illegible]~~ বৰা, নেহাৰাম বৰুৱা, খুদেশ্বৰ বাহজোৱা আহত হয়। বৰ্তমানে এই আন্দোলনৰ শহীদ কনকলতা বৰুৱাৰ প্ৰতিমূৰ্তি জন্ম স্থান বৰঙাবাৰীৰ লগতে মুকুন্দ কাকতিৰ সৈতে অন্য বহু স্মৃতি গহপুৰ নগৰৰ বৰপুখুৰীৰ পাৰত নিৰ্মাণ হৈ আছে। এনেদৰেই অসমৰ স্বাধীনতা যুঁজত মৃত্যুবৰণ কৰা সকল ইতিহাস হৈ গল।

সুৱৰ্ণী প্ৰসিদ্ধ এই কলংপুৰ অঞ্চলটোত বাসু দেউৰ থান আছে। অঞ্চলটোৰ অন্যতম এলেকীসকল আৰু ভাগৱতীসকল সৰু বৰপথাৰীত আছে। পাৰিজাত দেৱশালাৰ সৰু, পুঁখৰীৰ সৰু মুনিবৰ্ণাত, কেচুপাৰ সৰু নামঘৰ আৰু গনকপাৰ বাঁহী সূৰ্য্যমন্দিৰ আছে।

উক্ত কলংপুৰ অঞ্চলৰ গুৱাহাটীৰ নামৰ ঠাইখনত মহাপুৰুষ শংকৰদেৱৰ আগমনৰ কথাৰ আখ্যান পোৱা যায়। মহাপুৰুষ শংকৰদেৱে পাৰঘাট পাৰৰ পৰা উত্তৰ আদি উক্ত ঠাইখনৰ (গুৱাহাটী) মাজেৰে নিৰ্বিঘ্নে হৈ গুৱা খাইছিল বা গুৱা-পান কৰিছিল। (গুৱা-অৰ্থাৎ তামোল) যাতে ঠাইখনৰ নাম গুৱাহাটী হয়।

এনে বিভিন্ন প্ৰাচীন কাহিনী আৰু কিছু ঐতিহাসিক স্থান সমূহে কলংপুৰ অঞ্চলটোক এক ঐতিহাসিক অঞ্চলৰূপে চিনাকি দিছে। এনেদৰেই বহু জাতি-জনগোষ্ঠীৰে আৱৰ্ত এই কলংপুৰ অঞ্চলটো অগ্ৰণীয় হৈ পৰিছে।

## কাড়িপথাৰৰ পৰা কাউৰীপথাৰলৈ

Suraj Goulam.
Class - 1st Sem

অসমৰ উত্তৰ প্ৰান্তৰ শোণিতপুৰ জিলাৰ গহপুৰ মহকুমাৰ অন্তৰ্গত এক সৰু গাঁও হয় "কাউৰীপথাৰ"। এই গাঁৱৰ প্ৰায় ৮০% মানুহেই কৃষিজীৱী। কাউৰীপথাৰত ধান, মাহ, সৰিয়হ, ৰবৰ, মগু ইত্যাদি খেতি কৰা হয় তথাপিও ইয়াৰ মানুহৰ প্ৰধান জীৱিকা হ'ল - ধান।

"বৈচিত্ৰ্যৰ মাজত একতা" এই কথাষাৰ অনুসৰি কাউৰীপথাৰত সকলো জাতি, ভাষা, ধৰ্ম নিৰ্বিশেষে একতাৰ এনাজৰীৰে বান্ধি আছে আৰু নিজৰ মনত আনৰ বাবে ভাতৃত্ববোধ জাগ্ৰত কৰি আহিছে। কাউৰীপথাৰত অসমীয়া, নেপালী, বঙালী, কাৰ্বি, আদিবাসী, বড়ো, মুছলিম, বিহাৰী ইত্যাদি বহুতো জাতিৰ মানুহৰ মিলনভূমি। ইয়াত সৰ্ব ধৰ্ম অনুষ্ঠানৰ সংখ্যা হ'ল - ৬টা। তাৰে তিনিখন মন্দিৰ, এখন নামঘৰ, এখন গীৰ্জা ঘৰ আৰু এখন মছজিদো আছে।

কাউৰীপথাৰ - যিহেতু সকলো মানুহৰে মিলনভূমি।

তেনেদৰেই ইয়াৰ ইতিহাসো এক ৰহস্যৰ কেন্দ্ৰ। 'কাউৰীপথাৰ' ইয়াৰ অৰ্থ হ'ল - কাউৰী + পথাৰ = কাউৰী থকা পথাৰ। কিন্তু আশ্চৰ্যজনক যে এই ঠাইত একেবাৰেই কাউৰী নাই। কিন্তু কেনেকৈ কাউৰীপথাৰ হ'লগৈ সেই ইতিহাস আশ্চৰ্যজনক। পৌৰাণিক সময়ত আমাৰ এই কাউৰীপথাৰ আছিল পূৰ্বৰ আদিবাসীৰ ভূমি। সেই সময়ত তীৰ ধনু আৰু কাড়ৰ প্ৰচলন বেছি আছিল। সকলো আদিবাসীয়ে প্ৰায় চিকাৰ কৰিছিল। ক্ৰমে সেই মিলনভূমিৰ নাম হৈ গ'ল - "কাড়িপথাৰ।" ক্ৰমে সময়ৰ অন্তৰালত এই নামটো কাউৰীপথাৰ" হৈ গ'ল। লগতে কাড়িপথাৰ এক অপূৰ্ব ইতিহাস হৈ ৰ'ল।

## 'পাটকাইৰ ইপাৰে মোৰ দেশ'— অসম বুৰঞ্জীৰ সাহিত্যিক মূল্যায়ন

লক্ষ্যজ্যোতি [illegible]
৩য় ষাণ্মাসিক

প্ৰকৃতিৰ জীয়ৰী, বিস্তীৰ্ণ সেউজভূমি এই অসমভূমি। এই অসমভূমিৰ মাজেৰে বৈ যোৱা সুবিশাল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে গঢ় লৈ উঠা উপত্যকাত বিভিন্ন সময়ত বিভিন্ন সভ্যতাৰ উত্থান-পতন হৈছিল। ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ — এই চাৰিটি ভূ-খণ্ডৰে গঠিত বিশাল প্ৰাচীন কামৰূপ তথা প্ৰাগজ্যোতিষপুৰ ৰাজ্যৰ পৰৱৰ্তী সময়ৰ অৰ্থাৎ ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ অসমৰ পটভূমিত ৰচিত এমন বুৰঞ্জীমূলক উপন্যাস হৈছে ২০১২ বৰ্ষৰ সাহিত্য অকাডেমী বটাপ্ৰাপ্ত চন্দনা গোস্বামীৰ 'পাটকাইৰ ইপাৰে মোৰ দেশ।'

যদিও উপন্যাসত কাল্পনিকতা বা অবাস্তৱতাৰ সমাৱেশ দেখা যায় কিন্তু 'পাটকাইৰ ইপাৰে মোৰ দেশ' উপন্যাসখনত উক্ত অবাস্তৱ বা অগ্ৰহণযোগ্য তথ্য প্ৰায় কম দেখা যায়। সম্পূৰ্ণ বুৰঞ্জীমূলক তথ্যৰ ভিত্তিত ৰচিত এই উপন্যাসখনে নিঃসন্দেহে আমাক অসম বুৰঞ্জীৰ বিভিন্ন কথা জনাত সহায় কৰিব।

অসমীয়া সাহিত্যৰ এই অদ্ভুতপূৰ্ব উপন্যাসখনত এটা জাতিসত্তাক জীৱন্ত ৰূপ দিয়াৰ প্ৰয়াস কৰাৰ কথা লেখিকাই ইয়াৰ পাতনিতে উল্লেখ কৰিছে। কমতাৰাজ্য, কছাৰী ৰাজ্য, চুতীয়া ৰাজ্য, ভূঞাসকলকে ধৰি বৃহত্তৰ আহোম ৰাজ্যৰ

বিষয়ে বিস্তৃত, মনোমোহা আৰু জীৱন্ত বৰ্ণনা পোৱা যায়। বিশেষকৈ সেই সময়ৰ ৰাজনৈতিক বাতাবৰণ, বিদেশী শত্ৰুৰ আক্ৰমণ (তুৰ্কী-আফগান, নবাবসকল), শাসকবৰ্গৰ উত্থান-পতন, ভূঞা জমিদাৰসকলৰ ভূমিকা, জাতি-জনজাতিসমূহৰ ধৰ্মীয় ৰীতি-নীতি আৰু সামাজিক আচাৰ-ব্যৱহাৰৰ গ্ৰহণযোগ্য বিৱৰণ উপন্যাসসমূহত পোৱা যায়।

উপন্যাসসমূহত বৰঅসম গঢ়াৰ প্ৰথম প্ৰয়াসকাৰী চাওলুং চুকাফাক ধৰি আহোম আৰু কমতাৰাজ্যৰ সেই সময়ৰ ৰজাসকল, কবি, পণ্ডিত আৰু প্ৰজাবৰ্গৰ আৰ্থ-সামাজিক বিৱৰণ লেখিকাই সঠিকভাৱে উপস্থাপন কৰিছে। আহোমসকলৰ শাসনকালৰ নৈৰ বালিৰ পৰা সোণ সংগ্ৰহ কৰাৰ পদ্ধতি, পাইক প্ৰথা, পাটপলু-মুগাপলু, আহোমসকলৰ শাসন প্ৰণালী আৰু ধৰ্মীয় আচাৰ-ব্যৱহাৰৰ সঠিক বিৱৰণ উপন্যাসসমূহত পোৱা যায়। 'ৱেকাৰৈৰং' অৰ্থাৎ পাটকাই পৰ্বত পাৰ হৈ আহোমসকলে এই ব্ৰহ্মপুত্ৰ উপত্যকাত বিভিন্ন জাতি-উপজাতিৰ মাজত নিজকে বিলীন কৰাৰ মনোমোহা বিৱৰণ উপন্যাসসমূহত পোৱা যায়।

অতীত অসমৰ বহুতো আপুৰুগীয়া বাৰ্তা লেখিকাই উপন্যাসসমূহৰ যোগেদি আমালৈ প্ৰেৰণ কৰিছে। নিঃসন্দেহে 'পাটকাইৰ ইপাৰে মোৰ দেশ' উপন্যাসখন অসমীয়া সাহিত্যৰ বুৰঞ্জীত স্মৰণীয় হৈ ৰ'ব।

# অসমৰ সত্ৰ - সংস্কৃতি

শ্ৰী ৰাজশ্ৰী হাজৰীকা -
পঞ্চম ষাণ্মাসিক

"যো ব্ৰহ্মানং বিদধাতি পূৰ্বং,
যো বৈ বেদাংশ্চ প্ৰহিণোতি তস্মৈ।
তংহ দেৱমাত্মবুদ্ধি প্ৰকাশং,
মুমুক্ষুৰ্বৈ শৰণমহং প্ৰপদ্যে ॥

(শ্বেতাশ্বতৰ উপনিষদ (ষষ্ঠ অধ্যায়)

সত্ৰৰ মূল অৰ্থ হ'ল ধৰ্ম। সত্ৰ প্ৰতিষ্ঠা হৈছিল মানুহৰ দুখ মোচনৰ বাবে। এজন মানুহ সুস্থ, সবল আৰু সংযত হ'বলৈ গুৰুবাক্য অথবা ধৰ্মবাক্য পালন কৰিব লাগিব। ধৰ্মবাক্য পালন কৰিলেহে জীৱৰ মুক্তি হয়। সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত 'আধ্যাত্মিক জ্ঞান' এক গুৰুত্ব বিষয়। আধ্যাত্মিক জ্ঞানৰ যোগেদি পৰিৱেশ শান্তিময় কৰি তোলাৰ লগতে মানৱীয় মূল্যবোধৰ প্ৰতি সচেতনতা বৃদ্ধি কৰিব পাৰি।

সত্ৰৰ আভিধানিক অৰ্থ হ'ল - নিবাসস্থান, হোম - যজ্ঞানুষ্ঠান আদি হ'লেও নৱ বৈষ্ণৱ ধৰ্মত ইয়াৰ অৰ্থ হ'ল - গুৰু - শিষ্যৰ আধ্যাত্মিক মিলন।

মহাপুৰুষ শংকৰদেৱে বৰ্ণনা কৰা সংস্কৃতি আৰু প্ৰৱৰ্তন কৰা ধৰ্মত সত্ৰ-সংস্কৃতিৰ বিশেষ গুৰুত্ব আৰু আদৰ আছিল। সত্ৰ ধৰ্ম-প্ৰসাৰৰ কেন্দ্ৰস্থল। শংকৰদেৱৰ প্ৰিয় শিষ্য দামোদৰদেৱ আৰু মাধৱদেৱে সত্ৰ প্ৰতিষ্ঠাত আগভাগ লৈছিল।

প্ৰধানত: সত্ৰ হ'ল [illegible] বিশ্ববিদ্যালয়। গুৰু-শিষ্যৰ মহাত্মা প্ৰকাশৰ বাবে সত্ৰ বিশেষ অনুষ্ঠান। ধৰ্মৰ ঐতিহ্য সত্ৰই সংৰক্ষণ কৰি আছে। সত্ৰক কেন্দ্ৰ কৰি অসমত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ ঘটিছিল।

সত্ৰীয়া জীৱনত সংস্কাৰ আৰু মূল্যবোধৰ ওপৰত যথেষ্ট গুৰুত্ব আছিল। শ্ৰী শ্ৰী [illegible]দেৱে 'উদাসীন' নীতি শিথিল কৰি প্ৰথম গৃহস্থৰ সত্ৰত পালনৰ ব্যৱস্থা কৰিছিল।

অসমৰ কেইখনমান সত্ৰ হ'ল – আউনীআটি, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী, কমলাবাৰী, আদি।

সত্ৰত ধৰ্মপ্ৰচাৰকসকলে অষ্টম স্থান নিৰূপণ কৰিছিল। সেইবোৰ হ'ল – নামঘৰ আৰু মণিকূট, গুৰুগৃহ, ভঁৰাল, বৈষ্ণৱ গৃহ চাৰিহাটী, বৰপাট, অতিথিশালা, নাটশালা, ভোগঘৰ।

পণ্ডিত ভীমনাথ কামাই সত্ৰ সম্পৰ্কে দিয়া ব্যাখ্যা হ'ল →

(i) মণিকূট – পৰমআত্মা।
(ii) গুৰু অথবা সত্ৰাধিকাৰ – জীৱাত্মা।
(iii) সত্ৰৰ নামঘৰ – হৃদয়।
(iv) ভঁৰাল – উদৰ।
(v) ভকত – মনসহ জ্ঞানেন্দ্ৰিয়।
(vi) বৈষ্ণৱগৃহ চাৰিহাটী – পঞ্চ কৰ্মেন্দ্ৰিয়।
(vii) সত্ৰৰ লগত জড়িত শিষ্য – প্ৰাণবায়ু।

সত্ৰ হ'ল অসমীয়া কলা-সংস্কৃতিৰ ৰত্নস্বৰূপ। সত্ৰত অনুষ্ঠিত উৎসৱ ধৰ্মীয় প্ৰধান তাৰ ভিতৰত – ভাওনা, ৰাস, সত্ৰীয়া গীত, গায়ন-বায়ন, সত্ৰীয়া নৃত্য, বৰগীত আদি। সত্ৰত পৰম্পৰাগতভাৱে উদযাপিত উৎসৱ পাবন অসমৰ জাতীয় সম্পদ।

ধৰ্মীয় দৰ্শনেৰে উজ্জীৱিত সত্ৰসমূহত নিত্য-নৈমিত্তিক কৰ্মৰ জৰিয়তে মন আৰু শৰীৰক একাত্ম কৰি আধ্যাত্মিক জ্ঞানৰ তত্ত্ব প্ৰদান কৰি আহিছে।

# কনকলতা

শ্ৰী পূজা হাজৰিকা
1st Semester

কনকলতা বৰুৱা ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ প্ৰথম মহিলা শ্বহীদ।

<u>জন্ম</u> :- দৰং জিলা (বৰ্তমান শোণিতপুৰ জিলাৰ গহপুৰৰ বৰঙাবাৰীৰ ১৯২৪ চনৰ ২২ ডিচেম্বৰ জন্ম হৈছিল। পিতৃ বগাৰাম বৰুৱা আছিল এগৰাকী খেতিয়ক। কনকলতা সৰু থাকোতেই তেওঁ ঢুকায়।

<u>স্বাধীনতা সংগ্ৰামলৈ অৱদান</u> :-

তেজপুৰত অৱস্থিত কনকলতা উদ্যানত থকা বৰ্ণনাত্মক ভাস্কৰ্য ইয়াৰ এক সুন্দৰ নিদৰ্শন। স্বাধীনতা আন্দোলনৰ এগৰাকী আগৰণুৱা স্বেচ্ছাসেৱিকা আছিল কনকলতা বৰুৱা।

জ্যোতি প্ৰসাদ আগৰৱালাৰ নেতৃত্বত মৃত্যু বাহিনীত যোগ দি ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত তাৰিখে ভাৰতীয় জাতীয় কংগ্ৰেছৰ অসম শাখাই প্ৰত্যেক থানাত উত্তোলিত হৈ থকা ব্ৰিটিছৰ পতাকা নমাই তাৰ ঠাইত ভাৰতৰ জাতীয় পতাকা উত্তোলন কৰাৰ আঁচনি গ্ৰহণ কৰিছিল। তাৰ বাবে মৃত্যু দল বাহিনী তৈয়াৰ কৰা হৈছিল। গহপুৰৰ পাঁচজন দলৰ পৰা থানা অভিমুখে অগ্ৰ মৃত্যু দল বাহিনীৰ সন্মুখত থকা মূল স্বেচ্ছাসেৱিকা গৰাকী আছিল কনকলতা বৰুৱা। থানাৰ দ্বাৰৰ সন্মুখত হৈ থানালৈ সোমাবলৈ চেষ্টা কৰাৰ সময়ত অন্যান্য স্বাধীনতা সংগ্ৰামীৰ লগতে পুলিচৰ লগত কনকলতাহঁতৰ টনা-আজোৰা লাগে। এনে সময়তে কনকলতাই নিজৰ দাবী সাব্যস্ত কৰিবলৈ চেষ্টা কৰি থাকোতেই চিপাহী বগাই কছাৰীয়ে কনকলতাৰ বুকুলৈ লক্ষ্য কৰি গুলি এৰে ফলত কনকলতাৰ মাটিত বাগৰি পৰি শ্বহীদ মৃত্যু হয়।

<u>মৃত্যু</u> :- ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ।

# ইতিহাসৰ পাতত মূলাগাভৰু

শ্ৰীবিমহিম মেচপ।
1st Sem.

অতি প্ৰাচীন কালৰ পৰা নাৰীয়ে বিভিন্ন ক্ষেত্ৰত নিজৰ অভূতপূৰ্ব পৰিচয় দি আহিছে। ইতিহাসৰ পাতত এনে কিছুমান নাৰীৰ নাম সোণালী আখৰেৰে জিলিকি আছে যিসকলে দেশৰ বাবে, স্বামীৰ বাবে আত্মবলিদান দিবলৈ হাঁহি হাঁহি আগবাঢ়ি আহিছিল। অসমৰ ইতিহাসত উল্লেখনীয় স্থান অধিকাৰ কৰা এগৰাকী নাৰীৰ বীৰত্বৰ কিছু পৰিচয় দাঙি ধৰাৰ চেষ্টা কৰা হৈছে। তেওঁৰ নাম আছিল মূলাগাভৰু।

মূলাগাভৰু আছিল শদিয়া খোৱা গোহাঁই ফ্ৰাচেংমুং বৰগোহাঁইৰ পত্নী। আহোম ৰজা সুক্লেংমুং বা স্বৰ্গনাৰায়ণৰ দিনত মুছলমানসকলে অসম আক্ৰমণ কৰে। তুৰ্বক আছিল মুছলমানসকলৰ সেনাপতি। কলিয়াবৰত তুৰ্বকৰ সৈতে আহোমৰ থেমা-বেমা ৰণ হ'ল। এই ৰণক বুৰঞ্জীত 'কণিলো-গহৰা ৰণ' বুলি জনা যায়। ইতিমধ্যে আলি বুঢ়াগোহাঁই প্ৰমুখ্যে আঠ জন আহোম প্ৰধান যোদ্ধা ৰণত মৰিল। সেইহেতে স্বৰ্গদেউৱে ফ্ৰাচেংমুং বৰগোহাঁইক প্ৰধান সেনাপতি পাতি তুৰ্বকক প্ৰতিহত কৰিবলৈ আদেশ দিলে। তুৰ্বকৰ লগত প্ৰাণপণে যুঁজিও বৰগোহাঁই জিকিব নোৱাৰিলে। অৱশেষত তেওঁ মৃত্যুক আঁকোৱালি ল'লে। মূলাগাভৰু শোকত ভাগি পৰিল। স্বামীৰ মৃত্যুত বিচলিত নহৈ শত্ৰুৰ বিৰুদ্ধে যুঁজ দিবলৈ তেওঁ দৃঢ় প্ৰতিজ্ঞ হয়। মূলাগাভৰুৱে হাতত হেংদাং লৈ হাতীত উঠি যুদ্ধক্ষেত্ৰলৈ ওলাল। তেওঁৰ সৈতে যেনি বহুতো নাৰী আগবাঢ়ি আহিল। মুছলমান সৈন্যই মূলাগাভৰুৰ সাহস আৰু বীৰত্ব দেখি বিস্ময় মানিলে। তুৰ্বকৰ লগত হোৱা যুদ্ধত ভয়ংকৰ ৰণ হ'ল। অৱশেষত তুৰ্বকৰ অস্ত্ৰৰ আঘাতত মূলাগাভৰু হাতীৰ পিঠিৰ পৰা ঢলি পৰিল। পাছত কনচেং বৰপাত্ৰগোহাঁইৰ নেতৃত্বত আহোম সেনাই তুৰ্বকক পৰাস্ত কৰে। মূলাগাভৰুৰ মৃত্যু হ'ল, কিন্তু তেওঁৰ আদৰ্শ সদায় মনত ৰাখিবলগীয়া। তেওঁৰ বীৰত্ব আৰু সাহসীকতাই আমাৰ সকলোকে প্ৰেৰণা যোগাব। ইতিহাসৰ পাতত মূলাগাভৰুৰ নাম সদায় অমৰ হৈ থাকিব।

## আমি স্বাধীন নে ?

প্ৰবিন অধিকাৰী
স্নাতক তৃতীয় বাৰ্ষিক

ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰত এক ঐতিহ্যপূৰ্ণ দেশ হিচাপে পৰিগণিত। পৃথিৱীৰ ভিতৰত মানুহৰ উৎপত্তি তথা সভ্যতা গঢ়ি উঠিছিল এই ভাৰতবৰ্ষতে। এই উপমহাদেশ আত্মিক, বৈদিক, চিকিৎসা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা, বাণিজ্য আদি প্ৰায় ক্ষেত্ৰতে শীৰ্ষ স্থান লাভ কৰিছিল অষ্টম খৃষ্টাব্দলৈকে। ইয়াৰ মূলত আছিল একতা আৰু সহযোগীতা, আৰু এই সহযোগীতাৰ মূল বাহক আছিল ভাষা। সেই কাললৈকে সংস্কৃত আছিল ইয়াৰ প্ৰাণ তথা ৰাষ্ট্ৰীয় ভাষা। কিন্তু যেতিয়াৰপৰাই সংস্কৃতক প্ৰাধান্য দিবলৈ এৰা হৈছে তথা অৱহেলিত কৰা হৈছে তেতিয়াৰপৰাই এই দেশ বিদেশীৰ কবলত পৰিবলৈ লয়। সেই বাবেই এই পৰ্যন্ত আমি পৰাধীন।

যদিও ভাৰতবৰ্ষই ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰে, তথাপি এই পৰ্যন্ত আমি পৰাধীন। পৃথিৱীৰ প্ৰায়বোৰ উন্নত ৰাষ্ট্ৰত লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকৰ বিকাশৰ একমাত্ৰ কাৰণ হৈছে মাতৃভাষা। চিকিৎসা, প্ৰযুক্তিবিদ্যা, বিজ্ঞান, কাৰ্য্যালয়তে মাত্ৰ নহয় আনকি সকলো শিক্ষানুষ্ঠানতে নিজৰ মাতৃভাষা। কিন্তু ভাৰতবৰ্ষৰ ক্ষেত্ৰত সম্পূৰ্ণ বিপৰীত। আজি স্বাধীনতাৰ ৬৭ বছৰ উকলিলেও সংস্কৃততো বাদেই হিন্দীকো ৰাষ্ট্ৰীয় ভাষা হিচাপে স্বিকৃতি পোৱা নাই, সকলো ক্ষেত্ৰতে ইংৰাজী আৰু ইংৰাজী। এতিকে ভাষাৰ ক্ষেত্ৰত আমি স্বাধীননে ?

কাৰ্য্যক্ষেত্ৰত চোৱা যাওক যত পৃথিৱীৰ সকলোতকৈ অধিক শিক্ষক, সকলোতকৈ অধিক অভিজ্ঞতা, সকলোতকৈ অধিক চিকিৎসক, সকলোতকৈ অধিক বিজ্ঞানীৰ লগতে সকলোতকৈ অধিক কৃষক আৰু শ্ৰমিক থকা দেশ এই ভাৰতবৰ্ষ, তথাপি ভাৰতবৰ্ষৰ অৱস্থা দুঃখলগা। যদিও উচ্চ শিখৰোৰত আমাৰ কিন্তু দেখা যায় যে উন্নত শিক্ষা বা উন্নতিৰ বাবে বিদেশলৈ ঢাপলিৰ সোঁত অন্ত নাইকিয়া।

বেশ-ভূষাৰ ক্ষেত্ৰত লক্ষ্য কৰিলে দেখা যায় যে পশ্চিমীয় সভ্যতাৰ প্ৰভাৱ যথেষ্ট। যাৰ ফলত স্বজাতীয় পৰিধান প্ৰায় লুপ্তপ্ৰায় অৱস্থান, যিয়ে অৰ্দ্ধনগ্নতাক বৃদ্ধি কৰি তুলিছে। যাৰ প্ৰভাৱত এই পবিত্ৰ মাতৃভূমিত দৈনন্দিন কু-কাৰ্য্য সংঘটিত হৈয়েই আছে।

খাদ্যাভ্যাসৰ ক্ষেত্ৰত চাওঁক, পৰম্পৰাগত ভাবে চলা শুদ্ধ, পুষ্টিকৰ খাদ্যৰ পৰিবৰ্তে আধুনিকতাৰ খাদ্যাভ্যাসক আঁকোৱালি লৈ বিভিন্ন ৰোগৰ বলি হ'বলগীয়া হৈছে। আজি ভোজেই হওঁক, বিবাহ বা জন্মোৎসৱেই হওঁক পশ্চিমীয়া সভ্যতাৰ প্ৰভাৱ অতিকৈয়েই পৰিছে যাৰ ফলত মদৰ ব্যৱহাৰ বৃদ্ধি হৈ পৰিছে, যেন মদ হ'লেই নচলে বা সম্পন্ন নহয়। অতিকে আমাৰ সভ্যতা সংস্কৃতিয়ে কয়নে মাদক দ্ৰব্যৰ ব্যৱহাৰ কৰিবলৈ ? এইবোৰ পশ্চিমীয়াৰ প্ৰভাৱ নহয়নে বাৰু ?

কলা সংস্কৃতিৰ ক্ষেত্ৰতো পশ্চিমীয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে। জন্মোৎসৱ বা কোনো শুভ কাৰ্য্যই নহওক।

যেনেকৈ কটা জ্বলন্ত মমবাতি নোমোৱাই পেলোৱা আমাৰ সংস্কৃতি নহয়, ই হৈছে শোকৰ প্ৰতীক। এতিয়া কওক সংস্কৃতিৰ ক্ষেত্ৰত আমি গৌৰৱ কৰিব পাৰোনে স্বদেশী বুলি?

এতিয়াকে আমি স্বাধীন ভাৰতবৰ্ষৰ সন্তান হিচাপে জীয়াই আছোঁনে? নিশ্চয় নাই, বৰঞ্চ আমি ইণ্ডিয়ান (Indian) হিচাপে পৰাধীনতাৰ গ্লানিত জীৱন নিৰ্বাহ কৰি আছোঁ, যদিও অবিশ্বনীয় বৰ্তমানে আমি বহু ঋণত বুৰি আছোঁ, আনকি নৱজাত শিশু এটিও প্ৰায় দুই হাজাৰ টকাৰ ঋণৰ বোজা লৈ জন্ম গ্ৰহণ কৰিছে।

এটি সুন্দৰ সভ্যতা বুলি সেই সভ্যতাক জনা যায় যিয়ে সময়মতে নিজৰ ত্ৰুটি তথা বদঅভ্যাসবোৰ পৰিষ্কাৰ কৰি ভাল গুণবোৰ আয়ত্ব কৰে। সেয়েহে আমি আমাৰ ঐতিহ্য, পৰম্পৰা ৰক্ষা কৰিবলৈ হ'লে আৰু স্বাধীন দেশৰ নাগৰিক হিচাপে পৰিচয় দিবলৈ হ'লে বিদেশী মূলৰ সামগ্ৰী তথা জীৱন ধাৰণৰ পদ্ধতি যতপৰনাস্তি ত্যাগ কৰিব লাগিব তেতিয়াহে আমি স্বাধীন দেশৰ সু-নাগৰিক হিচাপে বিশ্বত পৰিচয় দিব পাৰিম।

# যোৰহাট নগৰৰ কীৰ্তিচিহ্ন

দিপেন কোমান
পঞ্চম ষাণ্মাসিক

আহোমৰ শাসনৰ শেষৰফালে চকীহাট আৰু মাছৰহাট নামৰ দুখন হাট অৰ্থাৎ বজাৰ আছিল— সেইবাবে তাই খনৰ নাম যোৰহাট দিয়া হৈছিল। ভিতৰৰ আৰু মাজুলীক লৈ এই জিলাখন গঠিত হৈছে। যোৰহাট জিলাৰ পূবে—শিৱসাগৰ জিলা, পশ্চিমে—শোণিতপুৰ জিলা, উত্তৰে লখিমপুৰ জিলা আৰু দক্ষিণে—নাগালেণ্ড, গোলাঘাট জিলা। যোৰহাট জিলাখন আহোম ৰাজ্যৰ শেষ ৰাজধানী আছিল। এই নগৰত (৬) জন স্বৰ্গদেৱে (৩২) বছৰ কাল ৰাজত্ব কৰিছিল। এই (৩২) বছৰ কাল ৰাজত্ব কৰি থাকোতে সেই স্বৰ্গদেউসকলৰ মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ, দুৱলীয়া বিদ্ৰোহ, ডফলা, নগা আদিবোৰে বিভিন্ন সমস্যাত পেলাই দিছিল। এইকাৰণে আহোম স্বৰ্গদেউসকলে বেছিভাগ কীৰ্তিচিহ্ন নিৰ্মাণ কৰিব নোৱাৰিলে। ইয়াৰ ভিতৰত স্বৰ্গদেউ কমলেশ্বৰ সিংহ আৰু চন্দ্ৰকান্ত সিংহই কেইবাটাও কীৰ্তিচিহ্ন যোৰহাটত নিৰ্মাণ কৰি থৈ গৈছে। সেই কীৰ্তিচিহ্নবোৰ তলত উল্লেখ কৰা হ'ল:—

**ঢ- আলি:**— স্বৰ্গদেউ কমলেশ্বৰ সিংহই এই পথছোৱা ১৭৯৮ চনত বন্ধাইছিল। নগাসকলৰ উপদ্ৰৱ শাম কটাবৰ বাবে তিতাবৰৰ ওচৰত নতুনকৈ এটা অস্থায়ী বাহৰ বান্ধি স্বৰ্গদেউ নিজেই সময়ে সময়ে থাকিবলৈ লৈছিল। সেইবাবেই সেই অঞ্চলটোৰ নাম বজাৰৰ নামে — জানাজাত। এই বাহৰলৈ যাবৰ বাবেই ঢেৰেলী আলিৰ পৰা দক্ষিণলৈ এই পথছোৱা বন্ধাইছিল।

**লাচিত মৈদাম:**— ১৬৭২ চনৰ এপ্ৰিল মাহৰ ২৫ তাৰিখে মৃত্যুবৰণ কৰা মহাবীৰ লাচিতৰ মৈদাম যোৰহাট নগৰৰ পৰা প্ৰায় ১২ কি:মি: নিলগত হোলোঙাপাৰ মৌজাৰ লাচিতকীৰ্ত পাৰত আছে।

**ৰজা মৈদাম:-** স্বৰ্গদেউ পুৰন্দৰ সিংহই ৰজা মৈদাম সজাইছিল। এই মৈদামটো যোৰহাট নগৰৰ উত্তৰ-ফালে আবু আলিৰ দাঁতিত আৰু টোকোলাই নদীৰ কাষত অৱস্থিত।

**কমাৰবন্ধা-আলি:-** স্বৰ্গদেউ কমলেশ্বৰ সিংহই ১৮০৭ চনত এই আলিটো বন্ধাইছিল। সেইটো আলিৰ পৰা অন্য এটা দক্ষিণফালে ওলাই গৈ গোলাঘাট-কমাৰবন্ধাক সংলগ্ন কৰিছিল।

**গড়আলি:-** যোৰহাট নগৰৰ মাজ-মজিয়াত আহল-বহলকৈ বৰ্তি থকা এই একমাত্ৰ পথ শত্ৰুৱে যাতে সহজে বাহিৰৰ পৰা আক্ৰমণ কৰিব নোৱাৰে তাৰ বাধা দিবৰ অৰ্থে নগৰৰ চাৰিওফালে স্বৰ্গদেউ কমলেশ্বৰ সিংহই এই আলিটো বন্ধাইছিল।

**মালৌআলি:-** স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই মণিপুৰৰ জীয়াৰী কুৰংগনয়নীক বিয়া কৰাইছিল। ৰজাঘৰত এওঁৰ পাৰ্বতীয়া কুঁৱৰী বুলিছিল। তেওঁ লগত বহুত মণিপুৰী লৈ অসমলৈ আহিছিল। স্বৰ্গদেৱে এওঁলোকক মাটি-পাম দি সুন্দৰকৈ থকা মেলাৰ সুবিধা কৰি দিছিল। যত মণিপুৰীসকলক বহুৱাইছিল। এই ঠাইডোখৰ মালৌ-আলি বুলি জনা যায়।

**ৰাজমাও পুখুৰী:-** ১৮২৮ চনত স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ মাতৃ নুমলী ৰাজমাৱে এই পুখুৰীটো খন্দাইছিল। এই পুখুৰীটো যোৰহাট নগৰৰ মাজ মজিয়াত অৱস্থিত। এই পুখুৰীটো যোৰহাট নগৰৰ আটাইতকৈ ডাঙৰ পুখুৰী। এই পুখুৰীটো ভগৱান বিষ্ণুৰ নামত উৎসৰ্গিত হোৱা বাবে বিষ্ণুসাগৰ বুলিও জনা যায়।

**অন্যান্য কীৰ্তিচিহ্নসমূহ:-** আগতে উল্লেখ কৰি অহা কীৰ্তিচিহ্নসমূহৰ উপৰিও যোৰহাটত অনেক আহোমৰ ৰজাদিনীয়া প্ৰসিদ্ধ স্থান, দেৱালয়, ৰাজগড়, থাণ্ডীগড় দেৱালয়, মণিৰাম দেৱানৰ বাৰী, মহগড়, চিন্তামণিগড়, দ'ল, বৰবেটি, ছিপাহীখোলা, লাইদেগড় আদি বহুতো হৰমীয়া-কীৰ্তিচিহ্নই যোৰহাট নগৰখনক উজ্জ্বলাই ৰাখিছে।

— x —

# প্ৰাচীনৰ পৰা বৰ্তমানৰ অসম

শ্ৰী প্ৰেমসিং চৰকাৰ
স্নাতক পঞ্চম ষাণ্মাসিক

অসম, আমাৰ অসম সকলোৰে চেনেহৰ আৰু আদৰৰ অসম। আমাৰ অসমৰ এখন গৌৰৱ উজ্জ্বল ইতিহাস আছে। অসমৰ প্ৰাচীন নাম প্ৰাগজ্যোতিষপুৰ। মহাকাব্য ৰামায়ণৰ (অৰ্থ) মতে অম্বুৰাজ নামৰ ৰজা এজনে প্ৰাগজ্যোতিষপুৰ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। অসমত প্ৰাক্‌ঐতিহাসিক যুগত কিছুমান অনাৰ্য্য জাতিয়ে শাসন কৰিছিল। অসমত ৰাজত্ব কৰা প্ৰথমজন অনাৰ্য্য অনাৰ্য্য অসুৰ ৰজা আছিল মহিৰংদানৱ। তেওঁৰ পাছত আন অনান ৰজাই কামৰূপত শাসন কৰিছিল। তেওঁ আছিল নৰক, তেওঁ ভৌমবংশ প্ৰতিষ্ঠা কৰে। তেওঁ শ্ৰীকৃষ্ণৰ সহায়ত কামৰূপত শাসন আৰম্ভ কৰিছিল। নৰকৰ সমসাময়িক শোণিতপুৰৰ অনাৰ্য্য ৰজা আছিল বাণ ৰজা। বাণ ৰজাৰ কন্যা ঊষা আৰু শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ প্ৰেমৰ কাহিনী আমি সকলোৱে জানো। বৰ্তমানেও তেজপুৰৰ অৱস্থিত অগ্নিগড় পাহাৰে সেই প্ৰাচীন ইতিহাসক জীয়াই ৰাখিছে। অসমৰ পৰা অনাৰ্য্য শাসনৰ ওৰ পেলাই পুষ্যবৰ্মনে। তেওঁ অসমৰ ইতিহাসত বৰ্মন বংশৰ নাম উজ্জ্বলাই তোলে। এই বংশৰ অন্তিমজন আৰু সকলোতকৈ গুৰুত্বপূৰ্ণ ৰজা আছিল কুমাৰ ভাস্কৰ বৰ্মণ। তেওঁ অক্লান্ত প্ৰচেষ্টাতেই নতুন আনকি বিশ্বৰ বিভিন্ন দেশৰ লগত আমাৰ অসমক চিনাকি কৰাইছিল। তেওঁৰ দিনতেই চীনা পৰিব্ৰাজক হিউৱেন চাঙে অসমলৈ আহিছিল। এই চীন পৰিব্ৰাজকে লিখা তেওঁৰ টোকাৰ মতে আমাৰ অসমখন তেতিয়া বৰ্তমানৰ অসমতকৈ বহু গুণৰ ডাঙৰ বিশাল অঞ্চল আৰু বিহাৰৰ নালন্দালৈকে এই বিশাল অঞ্চল অন্তৰ্ভুক্ত আছিল। বৰ্মন বংশৰ পাছত শালস্তম্ভ বংশৰ বিভিন্ন ৰজাই আমাৰ অসমত ৰাজত্ব কৰিছিল। শালস্তম্ভ বংশৰ ইয়াৰ পাছত পাল বংশই শাসন চলাই। পাল বংশৰ পতনৰ লগে লগে অসমত কিছুমান আঞ্চলিক শক্তিৰ

উত্থান হয়। অসমত মৰাণ, বৰাহী, কছাৰী, বাৰভূঞা আৰু চুতীয়া সকলে অসমৰ বিভিন্ন ঠাইত নিজে নিজে ৰাজ্য শাসন কৰে। সেই সময়ত অসমত প্ৰৱেশ কৰে আহোম সকলে। স্বৰ্গদেউ চুকাফাৰ নেতৃত্বত অসমলৈ তেওঁলোকে প্ৰৱেশ কৰে। অসমত প্ৰৱেশ কৰি তেওঁলোকে মৰাণ আৰু বৰাহীক পৰাস্ত কৰি ১২২৮ খ্ৰীঃত চৰাইদেউ পৰ্বতত ৰাজধানী স্থাপন কৰে। অসমত আহোম সকলে প্ৰায় ৬০০ বছৰ কাল ৰাজত্ব কৰে। এই সময়ছোৱাত আহোম সকলে জাতি-জন জাতিক এক লগ কৰি এখন বৰ অসম গঠন কৰে। আহোম সকলে ৰাজত্ব কৰা সময়ত বিভিন্ন বিদেশী শক্তিয়ে অসম আক্ৰমণ কৰে কিন্তু আমাৰ অসমৰ বীৰ যুঁজাৰু সকলে বিদেশী শক্তিক খেদি পঠিয়াবলৈ সফলতা অৰ্জন কৰে, সেই সফলতাৰ নিদৰ্শন বৰ্তমানেও আমি দেখিবলৈ পাওঁ। শৰাইঘাট দলং খনেই সেই গৌৰৱউজ্জ্বল ইতিহাসক জীয়াই ৰাখিছে মধ্য যুগত আমাৰ অসমত দুজন মহা মানৱ অৱতাৰ হৈছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ ধৰ্মীয় বাণীয়ে অসমৰ সকলো জাতি-জনজাতি বিভিন্ন সম্প্ৰদায় বিভিন্ন ধৰ্মাৱলম্বী মানুহক এক গোট কৰি এক শক্তিশালী আৰু মহান অসমৰ গঠনৰ বাবে চেষ্টা চলাইছিল। তেওঁলোকৰ মহান চেষ্টাৰ ফলত অসমখন এক গোট কৰিবলৈ সক্ষম হৈছিল। আহোম সকলৰ শাসনত ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে বিদেশী শক্তি ইংৰাজ সকলে অসমখনক নিজৰ অধীনলৈ নিয়ে। ইয়াৰ লগে লগে আমাৰ অসমীয়া মানুহ সকলে বিদেশী তলত পৰাধীনতাৰ বান্ধোনেৰে বান্ধ খায়। এই পৰাধীনতাৰ শিকলিৰ পৰা অসমখনক মুক্ত কৰিবলৈ বহু বীৰ বীৰাংগনাই নিজৰ তেজ আহুতি দিলেহি বহু বীৰ যুঁজাৰু শ্বহীদ হল। এই সকল মহান বীৰ-বীৰাংগনাৰ চেষ্টাৰ বলত আৰু জীৱনৰ আহুতিৰ ফলত আমি প্ৰতি মৰমৰ স্বাধীনতা লাভ কৰিলো।

আজি সকলোৱে স্বাধীনতা পালো, বীৰ বীৰাংগনাৰ সকলে বহু কষ্টৰ বলত আমাক স্বাধীনতা দিলে।

কিন্তু তেওঁলোকে যালো বৰ্তমানৰ যি অসমৰ অৱস্থা সেইটোৱে বাবেই স্বাধীনতা যুদ্ধত নামিছিল। আমাৰ মহাপুৰুষ দুগৰাকী থকি হৈ গোৱা প্ৰকৃতাৰ যাকোনটো যালো বৰ্তমান আছে। এই মহান বাসৰ বাহাদুৰ পাৰা যালো আমি কিবা শিকিছো অৰ্বাহিৰাটৰ দলৰ যনৰ গৌৰৱৰ ফল ইতিহাসৰ যালো আমি পাহৰি গোৱা নাই। আৰু আমি আমাৰ পুৰণি ইতিহাসলৈ চকু দিব লাগে। আমি আকৌ একগোট হৈ অসমলৈ। আগুৱাই যাব লাগে। যদিহে আমি আমাৰ অসমৰ যনৰ জাতিৰ নামত আগুৱাই নিব লাগে তেন্তে সকলোৱে মিলি কাম কৰিব লাগিব যদি আমি সকলোৱে এক হৈ অসমৰ উন্নতিৰ কথা চিন্তা কৰো তেন্তে সচাঁকৈয়ে আমাৰ অসমৰ মান ভাৰতৰ ভিতৰতেই নহয় বিশ্বৰ ভিতৰত এক লেখত লব লগীয়া বাবে) কাৰো অভিষ্ট হব।

# আৰ্য্য সকলৰ আঁতিগুৰি

ধনপুৰ দলে
পঞ্চম ষাণ্মাসিক

আৰ্য শব্দৰ অৰ্থ হল অং বা মহৎ। ইতিহাসত এই আৰ্য ভাষা কোৱা জাতিক বুজায়। আৰ্য সকলৰ কোনো লিখিত প্ৰমাণ নাই তথাপি আৰ্য সকলক ভাৰতীয় পুৰ্বপুৰুষ বুলি বিশ্বাস কৰা হয়। পাশ্চিয়ান ঐতিহাসিক সকলেও আৰ্য সকলক শ্বেতলোকৰ পুৰ্বপুৰুষ বুলি বিশ্বাস কৰে। শাৰীৰিকভাৱে শ্বেতলোক ওখ, সুন্দৰ চেহেৰাৰ লোক।

আৰ্য সকলৰ আদিম বাসস্থান সম্পৰ্কে বহুজন-পণ্ডিতৰ মাজত মত বিৰোধ হোৱা দেখা যায়। আৰ্য গোষ্ঠীৰ এই লোকসকলৰ আদি বাসস্থান ক'ত আছিল, শ্বেতলোক ভাৰতলৈ ক'ৰ পৰা আহিছিল এই প্ৰশ্নৰ উত্তৰ সঠিক ভাৱে নিৰ্ণয়লৈ এতিয়াও যথেষ্ট তথ্য আৱিষ্কাৰ হোৱা নাই। এই সন্দৰ্ভত বিভিন্ন পণ্ডিতে ভিন্ন ভিন্ন যুক্তি আৰু তথ্যৰে কিছুমান স্থান আগবঢ়াইছে।

ভাৰতীয় স্থান :— ইতিহাসবিদ ড° এ.চি. দাস, এল. ডি. কালা, গংগানাথ ঝা, মতে আৰ্য সকল ভাৰতৰ বাসিন্দা আছিল ঋগবেদত আৰ্য সকলৰ ৰীতি-নীতি আৰু সংস্কৃতি

সম্পৰ্কে বিস্তৃত ব্যাখ্যা আছে।

উত্তৰ মেৰু মত:- বালগংগাধৰ তিলকৰ 'Arctic Home of the Vedas' নামৰ গ্ৰন্থত তেওঁ আৰ্য সকলৰ আদিম বাসস্থান উত্তৰ মেৰু অঞ্চলৰ বুলি উল্লেখ কৰিছে। তেওঁৰ মতে ঋগবেদত উল্লেখ কৰা প্ৰাকৃতিক অৱস্থাৰ লগত উত্তৰ মেৰু অঞ্চলৰ অৱস্থাৰ সাদৃশ্য আছে। আৰ্য সকলে প্ৰায় খ্ৰীঃ পূঃ ৮০০০ ত মেৰু অঞ্চল ত্যাগ কৰি ৬০০০ খ্ৰীঃ পূঃ ত আৰ্য্যাৱৰ্তত ঘাটি পাতি লয়।

সপ্ত সিন্ধু মত:- ইতিহাসবিদ ড° সম্পূৰ্ণানন্দ, অবিনাশ চন্দ্ৰ দাস আদি কৰি ভাৰতীয় পণ্ডিতে মত পোষণ কৰে যে আৰ্যসকল কোনো বহিঃ অঞ্চলৰ পৰা অহা নাছিল বৰঞ্চ ঋগবেদত উল্লেখিত সপ্ত-সিন্ধু অঞ্চলেই তেওঁলোকৰ আদি বাসস্থান আছিল। পিছলৈ তেওঁলোক ভাৰতৰ বিভিন্ন ঠাইলৈ বিয়পি পৰিছিল।

অষ্ট্ৰো-হাংগেৰীয় মত:- ড° গাইলেচ আৰু সুকেচৰ মেকড'নেলৰ মতে আৰ্যসকলৰ আদি বাসস্থান আছিল দক্ষিণ-পূৱ ইউৰোপৰ দানিয়ুব নদীৰ উপকূলবৰ্তী অঞ্চল। তেওঁ -লোকে যুক্তি আগবঢ়াইছে যে বৰ্তমান অষ্ট্ৰিয়া-হাংগেৰী আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলবোৰৰ বাসিন্দা সকলৰ ভাষা হৈছে আৰ্যভাষা আৰু সংস্কৃত।

মধ্য এছিয়া মত :- অধ্যাপক মেক্সমুলাৰে বিশ্বাস কৰে যে মধ্য এছিয়া হৈছে আৰ্য সকলৰ আদিম বাসস্থান। বৈদিক সাহিত্য আৰু ইৰানীয়ান কাব্য 'Nend Avesta' অধ্যয়ন কৰি তেওঁ সিদ্ধান্তত উপনীত হৈছিল যে ইতিহাসৰ কোনো সময়ত ভাৰতীয় আৰু ইৰাণীয়ান সকলে একেলগে বাস কৰিছিল কাৰণ তেওঁলোকৰ ভাষা আৰু সংস্কৃতিৰ মাজত আৰু একে মিল দেখা যায় - উদাহৰণ: - দুয়োটা - উভয়ে প্ৰকৃতি পূজা কৰিছিল।

ওপৰত আলোচনা কৰা মতবাদ বা মত সমূহৰ ওপৰত অধ্যয়ন চলাই এইটো কব পাৰি যে আৰ্য সকলৰ আদিম বাসস্থান সম্পৰ্কে নিশ্চয়কৈ কোনো ধৰণৰ ব্যাখ্যা কৰিব নোৱাৰি, কোনো মত একেবাৰে গ্ৰহণযোগ্য- নহয় বা কোনোটো একেবাৰে অমিলিয়াই পেলাবও নোৱাৰি। প্ৰত্যেক মতৰে নিজা শক্তি আৰু দুৰ্বলতা আছে।

প্ৰাচীন অসমৰ কেইখনমান

উল্লেখযোগ্য লিপি, ইয়াৰ স্থান আৰু ৰচনাকাল

নাম: শ্ৰী লিংকু শইকীয়া

পঞ্চম ষান্মাসিক

ইতিহাস বিভাগ

| লিপিৰ নাম | ৰচনা কাল (খ্ৰী:) | স্থান |
|---|---|---|
| 1. সুৰেন্দ্ৰ বৰ্মণৰ উমাচল শিলালিপি | পঞ্চম শতিকা | নীলাচল পাহাৰ |
| 2. বস্কৰ্মা বৰ্মণৰ নগাজৰী শিলালিপি | পঞ্চম শতিকা | সৰুপথাৰ |
| 3. শ্ৰী বজ্ৰ বৰ্মণৰ আলিটিঙা ডেঙ্গোনি শিলালিপি | পঞ্চম শতিকা | আলিটিংগা ডেঙ্গোনি, বৰপথাৰ |
| 4. ভূতি বৰ্মণৰ বৰগঙ্গা শিলালিপি | ষষ্ঠ শতিকা | নগাঁৱৰ ডবকা |
| 5. কুমাৰ ভাস্কৰ বৰ্মণৰ দুবি তাম্ৰলিপি | সপ্তম শতিকা | বৰপেটাৰ দুবিত |
| 6. ভাস্কৰ বৰ্মণৰ নিধানপুৰ তাম্ৰলিপি | সপ্তম শতিকা | চিলেট জিলাৰ নিধানপুৰ গাঁৱত |
| 7. দেওপানী বিষ্ণুমূৰ্তি লিপি | অষ্টম শতিকা | দেওপানী |
| 8. শ্ৰী জীৱধৰৰ তাম্ৰলিপি | অষ্টম শতিকা | নগাঁও |
| 9. শ্ৰী জীৱৰ শংকৰ নাৰায়ণ মূৰ্তিলিপি | অষ্টম শতিকা | দেওপানী |
| 10. দিহমলেশ বৰ্মণৰ হৰিহৰ মূৰ্তিলিপি | অষ্টম শতিকা | দেওপানী |
| 11. শ্ৰী কুমাৰৰ তেজৰ স্বৰ্ণলিপি | অষ্টম শতিকা | গুৱাহাটী |
| 12. শ্ৰী জীৱৰ কৃষ্ণ দুৰ্গা শিলা মূৰ্তি লিপি | অষ্টম শতিকা | বিশ্ৰামপুৰ |
| 13. হৰ্জৰ বৰ্মণৰ তেজপুৰ শিলালিপি | নৱম শতিকা | তেজপুৰ |
| 14. হৰ্জৰ বৰ্মণৰ হায়ুণ্থল শিলালিপি | নৱম শতিকা | বাৰী আংলাং |
| 15. হৰ্জৰ বৰ্মণৰ কুৰুবাহী তাম্ৰলিপি | নৱম শতিকা | নগাঁৱৰ কুৰুবাহী সত্ৰত |
| 16. বনমাল বৰ্মণৰ তেজপুৰ তাম্ৰলিপি | নৱম শতিকা | তেজপুৰ |
| 17. বনমালবৰ্মাদেৱৰ পাৰ্বতীয়া তাম্ৰলিপি | নৱম শতিকা | তেজপুৰৰ পৰ্বতীয়া গাঁও |
| 18. বনমাল বৰ্মাদেৱৰ বলিয়াৰ তাম্ৰফলি লিপি | নৱম শতিকা | নগাঁৱৰ দিমৌ গাঁও |

| লিপিৰ নাম | ৰচনা কাল (খ্ৰীঃ) | স্থান |
|---|---|---|
| ১৯. তৃতীয় বলবৰ্মণৰ উলুবাৰী তাম্ৰলিপি | নৱম শতিকা | দৰং জিলাৰ উলুবাৰীত |
| ২০. ৰত্নপালৰ বৰগাঁও তাম্ৰলিপি | একাদশ শতিকা | শোণিতপুৰ জিলাৰ বৰগাঁও |
| ২১. ৰত্নপালৰ গুৱাকুছি তাম্ৰফলি | একাদশ শতিকা | গুৱাকুছি |
| ২২. ইন্দ্ৰপালৰ গুৱাকুছি তাম্ৰলিপি | একাদশ শতিকা | নলবাৰী |
| ২৩. ইন্দ্ৰপালৰ গুৱাহাটী তাম্ৰলিপি | একাদশ শতিকা | দৰঙৰ বৰপানৰা গাঁও |
| ২৪. গোপাল বৰ্মণৰ গাছতল তাম্ৰলিপি | একাদশ শতিকা | নগাঁৱৰ ডবকাত |
| ২৫. ধৰ্মপালৰ খোনামুখী তাম্ৰলিপি | দ্বাদশ শতিকা | নগাঁৱৰ খোনামুখী গাঁৱ |
| ২৬. ধৰ্মপালৰ পুষ্পভদ্ৰা ফাণৰ ফলি | দ্বাদশ শতিকা | উত্তৰ গুৱাহাটী |
| ২৭. বল্লভদেৱৰ অসম তাম্ৰলিপি | দ্বাদশ শতিকা | তেজপুৰ |
| ২৮. বৈদ্যদেৱৰ কমৌলী তাম্ৰলিপি। | দ্বাদশ শতিকা | উত্তৰ প্ৰদেশৰ বাৰাণসী |

| লিপিৰ নাম | ৰচনা কাল (খ্ৰীঃ) | স্থান |
|---|---|---|
| ২৯. কানাই বৰশী বোৱা শিলালিপি | ত্ৰয়োদশ শতিকা | উত্তৰ গুৱাহাটী |
| 30. গছতল স্তম্ভলিপি | একাদশ শতিকা | নগাঁৱৰ গছতলত |
| 31. সমুদ্ৰপালৰ আমবাৰী শিলালিপি | জনা নাযায় | গুৱাহাটী |
| 32. প্ৰাস্যৰ চিনিমপুৰ শিলালিপি | দ্বাদশ শতিকা | বাংলাদেশৰ বোগুৰা জিলাৰ চিনিমপুৰত |
| 33. তৃতীয় বলবৰ্মণৰ নগাঁও তাম্ৰলিপি | নৱম শতিকা | নগাঁও জিলাৰ সুতাৰ গাঁৱত |
| 34. বনমালা বৰ্মদেৱৰ সূৰ্য্য মূৰ্তি লিপি। | নৱম শতিকা | নগাঁও জিলাৰ কলীত |

## ধ্বংসৰ পৰাহত নাৰী সমাজ

শ্ৰীসুস্মিতা শৰ্মা
শ্ৰেণী পঞ্চম ষাণ্মাসিক

নাৰী এক বৃহৎ অপৰিসীম আৰু শ্ৰদ্ধা বোধক শব্দ। ভাৰতবৰ্ষৰ দৰে এখন অতি বিশাল দেশত পুৰুষ-মহিলা এই দুই শ্ৰেণী উভয়ে বসবাস কৰে। এই দুই শ্ৰেণীয়ে আমাৰ এই বৃহৎ সমাজখনত জীৱন-যাপন কৰি নিজ দিনসমূহ অতিবাহিত কৰে। বৰ্তমান সময়ত পুৰুষ-মহিলা দুয়োকে সম-অধিকাৰ আৰু স্বীকৃতি প্ৰদান কৰা হৈছে।

অতীত কালত মহিলাসকলক সদায় পুৰুষতকৈ তলত ৰখা পৰিলক্ষিত হৈছিল। লগতে নাৰী সমাজক সেই সময়ত আত্মাধিকাৰ দিয়াও নহৈছিল। আজি তেওঁলোকসকলক এখন বন্ধ কোঠালীৰ চাৰি বেৰৰ মাজতহে হিংস্ৰ জন্তুৰ নিচিনাকৈ আবদ্ধ কৰি ৰখা হৈছিল। আৰু মহিলাসকলে নিৰৱে দুখকৈ হৈ নিজকে এই আবদ্ধতাৰ মাজত অনিচ্ছা স্বত্বেও তোমোলোৰাই ৰাখিবলৈ বাধ্য হৈছিল। নাৰীক সদায়েই অন্ধকাৰ আৰু অন্ধবিশ্বাসৰ মাজতেই ৰখা হৈছিল। যি বৰ্তমানেও আংশিক ভাৱে হ'লেও বিদ্যমান। তদুপৰি নাৰী সকলক আমাৰ এই বৃহত্তৰ সমাজখনেও শিক্ষা আৰু জ্ঞানৰ শিখাৰ পৰা আঁতৰাই ৰাখিছিল। অতীতৰ আমাৰ এই সমাজখনে নাৰীসকল কেৱল জ্ঞানৰ পোহৰৰ পৰাই আঁতৰাই ৰখা নহয়। আনকি সতীদাহ প্ৰথা, বাল্য বিবাহ, বিধৱা-বিবাহ, পৰ্দা-প্ৰথা আদিৰ দৰে নানান কু-প্ৰথাৰে জৰ্জৰিত কৰি পেলাই নাৰী সকলৰ মেৰুদণ্ড ভাঙি পেলাইছিল। যাৰ বাবে নাৰী সকল সদায়েই সকলো ক্ষেত্ৰত পিছ পৰি ৰৈ গৈছিল। যৌতুক প্ৰথাই সেই সময়ত সমাজৰ মাজত ভয়ংকৰ বিষ ঢালি দিছিল।

বিবাহিতা কন্যানৰাৰীয়ে স্বামীগৃহৰ মানুহে দাবী কৰ
মতে সম্পত্তি আদায় দিব নোৱাৰিলে তেওঁ নানান অভিশাপ
বলি হ'বলগীয়াও পৰিছিল।

বৰ্তমান সময়ত আমাৰ সমাজখনক এখন স
মান আৰু উচ্চ মানুহৰ আবাসভূমি হিচাপে গণ্য কৰা হয়।
অতীতৰ সমাজখনত নাৰীৰ ওপৰত চলা অত্যাচাৰৰ প
বৰ্তমান সময়ত যদিও বাহিৰ কৰি উলিয়াই আনিছে। অথা
কিন্তু সি এতিয়াও নাটকীয় ৰূপ দৰ্শনহে মাথোন।

অতীতত যেনেকৈ আমাৰ মহিলাসকলক জ্ঞানৰ
পোহৰৰ পৰা আঁতৰাই ৰখা হৈছিল। কিন্তু বৰ্তমান সময়ত সেই যু
অলপমান ঘটা দেখা গৈছে। পুৰুষসকলৰ সমানেই নাৰীসক
খোজত খোজ মিলাই আগবাঢ়ি গৈ আছে। নাৰী সকলে পুৰুষৰ
সমানেই শিক্ষা লাভ কৰি নিজকে প্ৰতিষ্ঠিত আৰু সবল মহি
হিচাপে গঢ়ি তুলিবলৈ সক্ষম হৈছে। চৰকাৰী চাকৰিৰ পৰ
আৰম্ভ কৰি সৰু-সৰু উদ্যোগ প্ৰতিষ্ঠান, দোকান আদিত
নিজকে জড়িত ৰাখি আত্মনিৰ্ভৰশীল আৰু স্বাবলম্বী হৈ উঠিছে।
তদুপৰি: ড° প্ৰতিভা দেৱী সিং পাটিলৰ দৰে নিজকে ভাৰতৰ
ৰাষ্ট্ৰপতি হোৱাৰ সপোনো আমাৰ সমাজৰ বহু নাৰীয়ে মনত
পুহি ৰাখিছে। মুঠতে বৰ্তমানৰ নাৰী চহকী আৰু শ্ৰেষ্ঠ।
যদিও আমি সকলোৰে নাৰী বৰ্তমান পুৰুষ সকলতকৈ
এখোজ আগবঢ়া। কিন্তু তথাপিও কিছুমান উচ্চ, ধনী আৰু
বিলাতী পোচাক পৰিধান কৰা এচাম লোকে আমাক
নিৰ্দয়ভাৱে শোষণ কৰি ৰাখিছে। সংবিধান আৰু আইনে
নাৰীসকলক স্বীকৃতি আৰু নিৰাপত্তা প্ৰদান কৰা স্বত্বেও
পুৰুষসকলে আমাক এতিয়াও তেওঁলোকৰ নিজৰ হাতৰ

মৰি-কাটি কৰিছেই থাকিছে। তদুপৰি পুৰুষসকলে আজি নিজ কামনাৰ বস্তু হিচাপেহে ব্যৱহাৰ কৰিছে। যাৰ ফলত বৰ্তমান সময়ত বলাৎকাৰৰ দৰে কিছুমান ভয়ানক পৰিস্থিতি গঢ় লৈ উঠিছে।

বিগত কেইবাবছৰত ইমানেই বলাৎকাৰৰ সংখ্যা বাঢ়িছে যে, নাৰীসকলে নিজকে ঘৰৰ বন্ধ কোঠালীৰ মাজত আবদ্ধ কৰি ৰাখিবলগীয়াও পৰিছে। এটা কন্যা শিশুৰ পৰা আৰম্ভ কৰি গৰ্ভৱতী মহিলা পৰ্যন্ত এই জঘন্য কাণ্ডৰ বলী হ'ব লগীয়াও পৰিছে। তদুপৰি ডাইনী হত্যাইও নাৰী সকলক পশুৰ দৰে শোষণ কৰিছে। যিয়ে আমাৰ এই বৃহৎ সংস্কৃতিবান সমাজখনৰ সোণোৱালী স্বৰ্ণটো মচি ধৰিছে আমাক এই বিশাল সমাজখনৰ বিশাল চৰকাৰ ধন যেন 'চকু মুদা কুলিহে'। যাৰ বাবে আমি দিনক দিনে ধ্বংসৰ পথলৈহে গৈয়েই আছোঁ।

নাৰী সমাজৰ ওপৰত চলা এই অত্যাচাৰৰ আৰু কু-প্ৰথাবোৰৰ পৰা আমি নিজকে নিজেই উলিয়াই আনিব লাগিব। তাৰ বাবে আমি সকলোবোৰ নাৰী সমাজ এক জোট আৰু নিৰ্ভৰশীল হ'ব লাগিব। লগতে সকলোৰে নিজৰ ওপৰত আস্থা আৰু বিশ্বাস থাকিব লাগিব। সেয়েহে, 'আহক আমি সকলো নাৰী জাতি দৃঢ়-প্ৰতিজ্ঞ হৈ আমাৰ অধিকাৰ লাভ কৰি দুৰ্নীতি, কু-চিন্তা, অত্যাচাৰ আৰু অন্ধবিশ্বাস এই সকলোবোৰৰ আঁতৰাই পেলাই তাৰ বিৰুদ্ধে থিয় হৈ প্ৰতিবাদ কৰোঁ।' নহ'লে এটা সময়ত আমি নাৰী সম্পূৰ্ণ ধ্বংসৰ পৰাহত হৈ পৰি নিজৰ অস্তিত্ব আৰু 'নাৰী' নামৰ শব্দটো আনকি চিৰ দিনৰ বাবে নিঃশেষ হৈ পৰিব।

# ভারতের মধ্যে বিভিন্ন ধর্মের তীর্থস্থান

শ্রী. তপন জ্যোতি কুর্মি।
স্নাতক ২য় বর্ষ, কলা শাখা

হিন্দু তীর্থ: মথুরা, বৃন্দাবন, অযোধ্যা, পুষ্কর, অমর নাথ, বদ্রীনাথ, কৈলাশ, হরিদ্বার, প্রয়াগ, ত্রিবেণী, গয়া, কাশী, মাদুরা, কেদার নাথ ধাম, চন্দ্র নাথ, গৌরী নাথ, বিন্ধ্যাচল, নবদ্বীপ, পুরী, তাঞ্জোর, তিরুপতি, কালীঘাট, দক্ষিণেশ্বর, ভুবনেশ্বর, রামেশ্বর, কামাখ্যা, উমানন্দ, পরশুরাম কুণ্ড, অশ্বক্রান্ত, হয় গ্রীব মাধব, আর বশিষ্ঠাশ্রম।

বৌদ্ধ তীর্থ: সারনাথ, বুদ্ধগয়া, কাহ্নেরী, রাজগীর, নালন্দা, লুম্বিনী কানন।

জৈন তীর্থ: পরেশ নাথ, পাহাড়ের মন্দির, কলিকাতার জৈন মন্দির,

ইসলাম তীর্থ: আজমীর (খোজা মইনুদ্দিন-চিশতির মাজার), দিল্লী আর আগ্রার জুম্মা মসজিদ, গঞ্জ মুরাদাবাদ, বোরা মক্কা।

* হিন্দু পুৰাণৰ নামবোৰ আৰু শ্লোকৰ সংখ্যা হ'ল —

| পুৰাণৰ নাম | শ্লোকৰ সংখ্যা |
| --- | --- |
| ব্ৰহ্ম পুৰাণ | দহ হেজাৰ |
| পদ্ম ,, | পঁচপন্ন ,, |
| বিষ্ণু ,, | তেইশ ,, |
| শ্ৰীমদ্ভাগৱত ,, | ওঠৰ ,, |
| নাৰদীয় ,, | পঁচিশ ,, |
| মাৰ্কণ্ডেয় ,, | ন ,, |
| অগ্নি ,, | পোন্ধৰ হেজাৰ চাৰিশ |
| ভৱিষ্য ,, | চৈধ্য হেজাৰ |
| ব্ৰহ্ম বৈৱৰ্ত ,, | ওঠৰ হেজাৰ . |
| বৰাহ ,, | চৌবিশ ,, |
| স্কন্দ ,, | একাশী হেজাৰ এশ , |
| বামন ,, | দহ হেজাৰ ,, |
| কূৰ্ম ,, | আঠৰ ,, |
| মৎস্য ,, | চৌবিশ ,, |
| গৰুড় ,, | ঊনৈশ ,, |
| ব্ৰহ্মাণ্ড ,, | বাৰ ,, |
| শিৱ ,, | চৌবিশ ,, |
| লিঙ্গ ,, | এঘাৰ । |

# Our Different Activities
# (History Department)

*Historical Quiz Competition .
*Historical Debate Competition.
*State Level Seminar.
*National Level Seminar( UGC Sponsored).
*Educational Tour to Sibsagar.
* Educational Tour to Kajiranga National Park.
* Educational Tour to Dhekiakhowa Namghar, Jorhat.
* Educational Tour to Majuli.
* Educational Tour to Historic town Tezpur.
* Educational Tour to Historic site Biswanath Ghat.
*Departmental Picnic in every year.
* Departmental Freshmen Social in every year.
* Departmental Farewel in every year.
* Our students observed Teachers Day every year.
*Student Seminar.
*Student Project.

*********

"প্ৰকৃততে ৰজা আৰু ৰাজবংশৰ
তালিকাক বুৰঞ্জী বুলি কোৱা আৰু ঘৰ
এটা সাজিবলৈ ব্যৱহাৰ কৰা ইটা, বালি,
শিল আদিক ঘৰ বুলি কোৱা একে কথা।"

-তৰুণৰাম ফুকন

"অতীতৰ বুৰঞ্জী লিখকে লিখিছিল
ৰজা মহাৰজাৰ কথা
আজিৰ বুৰঞ্জী লিখকে লিখিছে
মানুহৰ মুকুতিৰ কথা।"

- ড° ভূপেন হাজৰিকা

"ভূগোল আৰু বুৰঞ্জী নথকা জাতিৰ
নিজা পৰিচয় নাথাকে"

- মহিম বৰা